চান্দমামা

জুন ১৯৮৬



FEVI GUM
এক মজাৰ গাম!

নটৰাজেৰে লিখাৰ মজাই হ'ল বেলেগ। ই ইমান নিখুঁতকৈ লিখে যে সকলোৱে নটৰাজেৰেহে লিখি ভাল পায়। অকনো নভগাকৈ ই ইমান কোমল, ডাঠকৈ আৰু জোঙাকৈ লিখে যে আনকোনো এনেধৰণৰ পেঞ্চিলত এই মজা নাই। ইয়াৰ মানে হ'ল বহুত সময় ধৰি আপুনি লিখাৰ আৰাম পায়।

নটৰাজঃ পেঞ্চিল

বেচিকৈ লিখে, বেচিকৈ চলে

এক উৎকৃষ্ট উৎপাদন:
হিন্দুস্তান পেঞ্চিলচ প্ৰাঃ লিঃ বোম্বাই-৪০০ ০০১

everest/85/HP/190-as

চান্দমামা

জুন ১৯৮৬

এই সংখ্যাত আছে

অৰিষ্টনেমি	: ১০		আমাৰ দ'ল-দেৱালয়	: ৩৫
সুখৰ সঁচাৰকাঠী	: ১১		ভাগ্যদেৱী	: ৩৯
শিৱ চাই টোকৰ	: ১৬		শিৱলীলা	: ৪৩
কাঁহৰ কিল্লা	: ১৯		ডাঙৰ কোন ?	: ৪৯
স্বাৰ্থবুদ্ধি	: ২৭		ছয় চভিয়া ছয় পুত	: ৫১
জীৱনৰ মূলধন	: ৩২		ধন্দ আৰু ফন্দ	: ৫৭

লগতে

অমৰবাণী, চান্দমামাৰ সম্বাদ-বি-সম্বাদ, প্ৰতিভা, আগৰ কাম, দিনতে আন্ধাৰ, পশু-পক্ষী ইত্যাদি।

everest/85/PP/334

নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক। দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।

আপোন কৰি লওক ক'লগেটৰ সুৰক্ষা চক্ৰ!

ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে
আপোনাৰ পৰিয়ালক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস-প্ৰশ্বাস।
সেইটোৱেই হ'ল ক'লগেটৰ সুৰক্ষা চক্ৰ।

প্ৰতিবাৰেই আপুনি দাঁত ঘহোঁতে ক'লগেটৰ নিৰ্ভৰযোগ্য ফৰমুলাই এনেদৰে ক্ৰিয়া কৰে:



নিশ্বাসৰ দুৰ্গন্ধ আৰু দাঁতৰ ক্ষয়ৰোগ সৃষ্টি হয় দাঁতৰ ফাকত লাগি থকা খাদ্যৰ টুকুৰাবোৰৰ পৰা।



ক'লগেটৰ অদ্বিতীয় সক্ৰিয় ফেনবোৰ দাঁতৰ ফাকবোৰলৈকে সোমাই গৈ এই দুৰ্গন্ধ সৃষ্টিকাৰী খাদ্যৰ টুকুৰাবোৰ আঁতৰাই আৰু ক্ষয় ৰোগৰ সৃষ্টিকাৰী বীজাণু দূৰ কৰে।



ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে আপোনাক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস প্ৰশ্বাস।

আপোনাৰ পৰিয়ালৰ সকলোৱেই যাতে প্ৰতিবাৰেই খোৱাৰ পিচত ক'লগেটেৰে দাঁত ঘহে সেইবিষয়ে নিশ্চিন্ত হওক।
নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক,
দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।
আপোন কৰি লওক
ক'লগেটৰ সুৰক্ষা চক্ৰ।



আপুনি মুগ্ধ হ'ব
এই মিন্টি সোৱাদত!

84-55 Asm

চান্দমামা

সংস্থাপক : চক্রপাণি   সঞ্চালক : বি নাগিৰেড্ডি

এই সংখ্যাত 'কাঁহৰ কিল্লা' সমাপ্ত হ'ল। কাঁহৰ কিল্লা পঢ়ি, ভাল পাই, যিসকলে আমালৈ চিঠি পঠিয়াইছে, তেওঁলোকলৈ আমাৰ আন্তৰিক ধন্যবাদ অহা সংখ্যাৰপৰা নতুন ধাৰাবাহিক ৰচনা প্ৰকাশিত হ'ব। ফটো-নামকৰণ প্ৰতিযোগিতালৈ যিকে'নো পাঠক-পাঠিকায়েই যোগদান কৰিব পাৰে ; কিন্তু প্ৰতিযোগীয়ে নিজ হস্তাক্ষৰেৰে সেই প্ৰতিযোগিতাৰ বিষয়বস্তু লিখি পঠাব লাগিব, আৰু বয়সৰ কোনো উল্লেখ নাথাকিলে কাৰ্ডখন বাতিল বুলি গণ্য হ'ব।

অমৰ-বাণী

বিজ্ঞঃ স্বংমন্যতে চাজ্ঞ মজ্ঞো বৰ্ত্তেত বিজ্ঞৱং।
মূকী ভাবম্বহন্ প্ৰাজ্ঞঃ পুৰুষোত্তমোত্তমঃ ॥

[প্ৰকৃত শিক্ষিতজনে নিজক অজ্ঞ বুলি কয়, অশিক্ষিতই নিজক সৰ্বজ্ঞ বুলি প্ৰচাৰ কৰে। সৰ্বশ্ৰেষ্ঠ বিজ্ঞ সদায় নীৰৱ।]

বছৰ : ১১   জুন ১৯৮৬   সংখ্যা : ৩

খনে : ২.৫০ টকা : বছৰেকীয়া বৰঙণি : ৩০.০০ টকা

CHANDAMAMA PUBLICATION

CHITRA

হাঁহি বিৰিঙাই
সোৱাদ যোগায় ট্ৰিঙ্কা'ই!
এবাৰ খাই চাওক ট্ৰিঙ্কা।
কেনে টেঙেচি। এবাৰ খালে আকৌ খাবৰ মন যায়।
চেঁচা চৰবৎ গিলাছত জিৰ্কমিকাই উঠে, নিমিষতে
তৈয়াৰ। ট্ৰিঙ্কা, সকলোৰে প্ৰিয় পানীয়!
প্ৰতিটো বটলৰ পৰা পাব ৫০ গিলাছ
প্ৰতিটো পাউচৰ পৰা পাব ৬ গিলাছ
পাঁচবিধ মন জুৰোৱা সোৱাদ:
অৰেঞ্জ, লেমন, পাইনএপল,
কোলা, ফ্ৰুট পাঞ্চ।
Trinka
Trinka
Soft Drink Mix
ট্ৰিঙ্কা
সোৱাদত সকলোৰে আগত!
cpc কৰ্ন প্ৰডাক্টচ কোং (ইণ্ডিয়া)
লিমিটেড
CLARION/B/CP/14/193

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

সামুদ্রিক আগ্নেয়গিৰি



জাপান এয়াৰলাইনছৰ কেপ্টেইন চাৰ্লছ মেকডেডে বিমানৰপৰা টোকিওৰ অহিন কোণৰ পঁচিছ মাইল দূৰৈত সমুদ্ৰৰ বুকুত ৬০,০০০ ফিট ওখ আৰু ২০০ মাইল বিস্তৃত মেঘৰ দৰে ধোঁৱা বলি থকা দেখা পায়। বিজ্ঞানীসকলৰ ধাৰণা, সমুদ্ৰগৰ্ভত থকা আগ্নেয়গিৰিৰপৰা অগ্ন্যুৎপাত হোৱাত এই অতি অপৰূপ ধোঁৱাৰ সৃষ্টি হৈছে।

নিচাৰ বলি চৰাই



আনুমানিক ৫০০ ৰবিন চৰাই আকাশেদি উৰি থাকোঁতে হঠাৎ ৰাজআলিৰ ওপৰত লুটি খাই পৰি মটৰগাড়ীৰ তলত চেপা খাই মৰিল। এই চৰাইবিলাকে এনে কিছুমান ফল খাইছিল, যিবোৰ ফল খালে প্ৰচণ্ড নিচা হয়।

সুদূৰৰ জলযান

১৯০৮ চনৰ ৩০ জুন তাৰিখে আকাশৰপৰা এক বিৰাট জলযান পৰি ছাইবেৰিয়াৰ ১৫০০ বৰ্গ-মাইল বিস্তৃত অঞ্চল কঁপি উঠিছিল। সম্প্ৰতে এই বিষয়ত ছোভিয়েত বিশেষজ্ঞ এন ভাছিলিয়েভে পৰীক্ষা-নিৰীক্ষা কৰি কৈছে যে এই জলযানটো এখাৰ বিলিয়ন বছৰৰ আগতে নিৰ্মিত, আৰু বহু দূৰত থকা কোনোবা গ্ৰহৰপৰা প্ৰেৰিত হ'ব পাৰে।

জানন

১। সমগ্ৰ পৃথিৱীৰ মাজত আটাইতকৈ গধুৰ ঘণ্টা ক'ত আছে?

২। পৃথিৱীৰ সৰ্বপ্ৰথমে নিৰ্মিত হোৱা সবাতোকৈ ওখ স্মৃতিসৌধৰ নাম কি?

৩। পৃথিৱীৰ আটাইতকৈ মূল্যবান চিত্ৰ হিচাপে কোনখনক বিবেচনা কৰা হয়?

৪। কোনখন দেশৰ জাতীয় সংগীত আটাইতকৈ প্ৰাচীন?

৫। কোনখন দেশৰপৰা আটাইতকৈ অধিক সংখ্যক ইংৰাজী পত্ৰ-পত্ৰিকা প্ৰকাশিত হয়?

[উত্তৰ : ৬৫নং পৃষ্ঠাত]

অৰিষ্টনেমি

একালত এগৰাকী ৰজা চিকাৰলৈ ওলাল ; কিন্তু বহু পৰলৈকে বিচাৰিও চিকাৰ নাপালে। তাৰ পাছত, ৰজা যেতিয়া ঘৰমুৱা হ'ল, তেতিয়া তেওঁ বহু দূৰত এটা হৰিণা দেখা পাই, কাঁড় এৰিলে। ৰজাই নিক্ষেপ কৰা কাঁড় হৰিণাটোৰ গাত বিন্ধিলেগৈ। লগে লগে তাৰপৰা মানুহৰ কণ্ঠস্বৰ ওলাল। হৰিণাই আৰ্ত্তনাদ কৰি ক'লে, "আইঔ!" অবাক হৈ ৰজা লৰি গ'ল তালৈ। তাত হৰিণাৰ ছাল পিন্ধা এক ঋষিপুত্ৰক মৃত অৱস্থাত পৰি থকা দেখা পালে তেওঁ।

ৰজাই ভাবিলে : মোৰ অপৰাধ প্ৰকাশ হৈ পৰাৰ আগতে ইয়াৰপৰা আঁতৰি যোৱা ভাল হ'ব। কিন্তু পাছ মুহূৰ্ত্ততে তেওঁ পুনৰ ভাবিলে : এই ঋষিপুত্ৰৰ পিতৃ-মাতৃৰ ওচৰলৈ গৈ ক্ষমাভিক্ষা কৰাটোহে উচিত হ'ব।

গৈ গৈ নৈৰ তীৰত ৰজাই কুটীৰ এখন দেখ পালে। কুটীৰত অৰিষ্টনেমি নামৰ এগৰাকী ঋষি আছিল। ৰজাই অৰিষ্টনেমিক নমস্কাৰ কৰি ক'লে, "প্ৰভু, হৰিণাৰ ছাল পিন্ধি কোনোবা সেই পিনলৈ গৈছেনে ?"

"ওঁ, মোৰ পুত্ৰ গৈছে।" অৰিষ্টনেমিয়ে এই কথা কোৱাৰ লগে লগে সেই ঋষিপুত্ৰ তাত উপস্থিত হ'লহি।

ৰজা অতিপাত আচৰিত হ'ল। ৰজাই অৰিষ্টনেমিক ক'লে, "প্ৰভু, মই বহু দূৰৰপৰা এওঁকে হৰিণা বুলি ভাবি কাঁড়িয়াইছিলোঁ। আৰ্ত্তনাদ শুনি গৈ চালোঁ যে এওঁ মৰিল। যিজনক মৃত অৱস্থাক নিজ চকুৰে চাই আহিলোঁ তেওঁনো কেনেকৈ জীয়ন্তে উভতি আহিল— একো বুজা নাই প্ৰভু!"

"তুমি ঠিকেই কৈছা, বোপা। তুমি মোৰ পুত্ৰক কাঁড়বিদ্ধ কৰিছিলা, ঠিকেই। কিন্তু— আমাৰ জীৱন হ'ল ঈশ্বৰত সমৰ্পিত। সেয়েহে আমাৰ জীৱন ইমান সোনকালে বিনষ্ট নহয়।" অৰিষ্টনেমিয়ে অতি সহজভাৱে আৰু সাধাৰণভাৱে উত্তৰ হোৱা ৰজাক ক'লে।

সুখৰ সঁচাৰকাঠী

ৰমাপতিৰ একমাত্ৰ ছোৱালীজনীৰ নাম আছিল সুবৰ্চলা। সৰুতেই সুবৰ্চলাই তাইৰ মাকক হেৰুৱাইছিল। তাইৰ দেউতাকে তাইক মাকৰ অভাৱ পাহৰাই বৰ আতোল-তোলকৈ ডাঙৰ-দীঘল কৰি তুলিছিল। তাৰ পাছত তাই যেতিয়া গাভৰুজনী হৈ উঠিল, তেতিয়া ৰমাপতিয়ে তাইৰ বাবে দৰা বিচৰাত লাগিল।

এদিন গধূলিতে ৰমাপতিৰ বাল্যবন্ধু এজনে এটা খবৰ দিলেহি। এঠাইত সুপাত্ৰ এজন থকাৰ খবৰ। ওলোৱাৰ আগে আগে ৰমাপতিয়ে তেওঁৰ জীয়েকক সাৱধান কৰি ক'লে, "মই ওলাইছোঁ। ৰাতি ভালকৈ দুৱাৰ-খিৰিকী মাৰি শুবি। মই কালিলৈ চলপুৱাতে আহিম।"

ৰাতি সুবৰ্চলাক টোপনিয়ে জোকাই লৈছেহে, চকুৰ পিৰাঠি মাত্ৰ জাপ খাই আহিছেহে, এনেতে কোনোবাই দুৱাৰত ধকিয়াবলৈ ধৰিলে। ইমান দুপৰ ৰাতি কোননো ওলালহি? সুবৰ্চলাই খিৰিকীখন খুলি চালে বাহিৰলৈ। দুৱাৰৰ কাষত এজন বুঢ়া মানুহক থিয় হৈ থকা দেখা পালে তাই।

বুঢ়া মানুহজনে খিৰিকীৰ কাষলৈ গৈ সুবৰ্চলাক ক'লে, "মোক যদি ৰাতি-ছোৱা কটাবলৈ দিয়া তোমাৰ ঢেৰ পুণ্য হ'ব। বৰষুণ দিছে বুলিহে, নহ'লে মই আশ্ৰয় নুখুজিলোহেঁতেন।"

বৃদ্ধৰ কথাত পমি গৈ সুবৰ্চলাই ক'লে, "ঘৰৰ ভিতৰত সোমাই আহক, ককা।"

বুঢ়া সোমাই আহিল। সুবৰ্চলাই গামোছা দিলে, পানী খাবলৈ দিলে।

বিনয় বৰকটকী

পলম কিহলৈ ? ঘৰত গহনা-গাথৰি ধন-সোণ য'ত যি আছে সকলো দিয়া। নহ'লে বুজিছাই কি হ'ব।"

দিলে কি হ'ব, আৰু নিদিলে কি হ'ব—সুবৰ্চলাই নুবুজাকৈ নাথাকিল।

সুবৰ্চলা এনে পৰিস্থিতিৰ বাবে প্ৰস্তুত নাছিল। তাই বুঢ়াক ক'লে, "চোৰ আৰু ডকাইতহঁতৰ মনতো দয়া-মায়া থকা বুলি ইমান দিন শুনি আহিছোঁ। কিন্তু তোমাৰ মনত দেখোন দয়া-মায়া বোলা একো নাই। একেবাৰে উকা! তুমি দেখোন একেবাৰে এটা ডালকটা ভাটৌ!"

এই কথা শুনি বুঢ়াই দাঁত-মূৰ কৰচি ক'লে, "শুনা, তোমালোক হ'লা নখৰ মূৰত তেল দি খোৱা মানুহ, আমাৰ দুখৰ কথা কি বুজিবা ? যেই কি নহওক, টকা-পইচা সোণ-ৰূপ ক'ত কি আছে—গোটাই-পিটাই টোপোলা বান্ধি দিয়াচোন, মোৰ আৰু ঢেৰ কাম আছে।"

সুবৰ্চলাই অলপো ভয় নকৰি ক'লে, "ক্ষুধাৰ্ত হৈ আছিলা খাবলৈ দিলোঁ। কিন্তু তোমাৰ কথামতে ধন-সোণ দিয়াটো মোৰ পক্ষে সম্ভৱ নহয়।"

"সিটো কোঠাত কি আছে? সৌ চন্দুকটোত কি আছে?" এই কথা কৈ কৈ বুঢ়া সোমালগৈ কাষৰীয়া কোঠাটোত,

বুঢ়াই গা-মূৰ-ভৰি-হাত গামোছাৰে মচি থাকোঁতে ঘৰৰ চাৰিওফালে চাই সুধিলে, "ঘৰত কোনো নাই দেখিছোঁ।"

সুবৰ্চলাই ক'লে, "দেউতা চুবুৰীয়া গাঁৱলৈ গ'ল, কালিলৈ উভতি আহিব।" তাৰ পাছত তাই ক'লে, "ককা, আপুনি এতিয়া ভাত খাই লওক।"

সুবৰ্চলাই বুঢ়াক ভাত-আঞ্জা খাবলৈ দিলে। বুঢ়াই অতি পৰিতৃপ্তিৰে খালে।

আৰু তাৰ পাছত, বিছনা পাৰি দি সুবৰ্চলাই যেতিয়া বুঢ়াক শুবলৈ ক'লে, তেতিয়া বুঢ়াই ধীৰে-শাঁতে ডেগাৰ এখন উলিয়াই লৈ সুবৰ্চলাক ক'লে, "আৰুনো

আৰু সুবৰ্চলাই লগে লগে কোঠাৰ দুৱাৰখন বাহিৰৰপৰা মাৰি দিলে। এইদৰে, অভাৱিতভাৱে বন্দী হৈ বুঢ়াই কোঠাৰ ভিতৰৰপৰা চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে।



সুবৰ্চলাই ভাবিলে: এই মাজনিশাখন হৈ-চৈ কৰিলে লোকৰ টোপনি-খতি হ'ব। গতিকে—বাকীছোৱা ৰাতি মই শুই থকাটোহে ভাল হ'ব। ৰাতি পুউৱাৰ পাছত চুবুৰীয়াক মাতিম। এই কথা ভাবি তাই শুলেগৈ।

ঢলপুৱা পুনৰ ঘৰৰ দুৱাৰত কোনোবাই খটখটোৱাৰ শব্দ উঠিল। তাইৰ দেউতা উভতি অহা বুলি ভাবি খৰধৰকৈ দুৱাৰ খুলি তাই অবাক হ'ল। তাত তেতিয়া আটকধুনীয়া সাজ-পাৰ পিন্ধি এজন যুবক থিয় হৈ আছিল।

সুবৰ্চলাই যুৱকক সুধিলে, "আপুনি ইয়াত কাক বিচাৰি আহিছে?"

"কাকো বিচাৰি অহা নাই, কেৱল এটা প্ৰশ্ন সুধিবলৈহে আহিছোঁ। বৰষুণত তিতি-বুৰি কোনোবা বুঢ়া মানুহ এজন আপোনালোকৰ ঘৰত সোমাইছেহিনে?"

"ওঁ, আছে তেওঁ। তেওঁ মোক ডেগাৰ দেখুৱাই ধন-সোণ বিচাৰিছিল। মই তেওঁক আটক কৰিছোঁ। কিন্তু—এনেবোৰ চোৰৰ লগত আপোনাৰ দৰে ভদ্ৰলোক এজনৰ সম্পৰ্ক?"

যুৱকে হো হোকৰে হাঁহি উঠি ক'লে, "বুঢ়া চোৰ নহয়, আমাৰ ঘৰুৱা কাম-বন কৰা মানুহহে!"

"তেওঁ আপোনালোকৰ ঘৰৰ যেৱেই নহওক, আমাৰ ঘৰত চোৰ হিচাপেহে সোমাইছেহি। তাক চোৰ নুবুলি কি কি ক'ম?" সুবৰ্চলাই খঙতো ক'লে।

যুৱকে মিচিকীয়াই হাঁহি মাৰি যি-কাহিনী ক'লে' সেই কাহিনীৰ সাৰমৰ্ম হ'ল: মোহন নামৰ এই যুৱকে বন্ধু এজনৰ বিয়া খাবলৈ আহি সুবৰ্চলাক দেখা পাই সুবৰ্চলাৰ প্ৰতি আকৰ্ষিত



হৈছিল। মোহন হ'ল এগাৰাকী কোটি-পতিৰ একমাত্ৰ পুত্ৰ। মোহনে সুবৰ্চলাক জীৱন-সংগিনী হিচাপে লোৱাৰ অভি-প্ৰায়েৰে সুবৰ্চলাৰ বুদ্ধি, সাহস তথা ধৈৰ্য্যৰ পৰীক্ষা ল'বলৈ বুঢ়াৰ যোগেদি এই নাটৰ পাতনি তৰিছিল।

যুৱকৰ কথা শুনি সুবৰ্চলা বাস্তৱিকতে অবাক হ'ল। এয়া ৰূপকথা নে কি?

যুৱকে ক'লে, "সুবৰ্চলা, মোৰ বন্ধুৰ পৰীক্ষাত তুমি উত্তীৰ্ণ হ'লা।"

"কেনেকৈনো?" সুবৰ্চলাই সুধিলে।

যুৱকে কলে, "বুঢ়াক সমাদৰ কৰি খুৱাই-বুৱাই তুমি উদাৰতা প্ৰদৰ্শন কৰিছিলা, বৃদ্ধই ডেগাৰেৰে তোমাক ভয় দেখুৱা সত্বেও তুমি ভয় নকৰাকৈ প্ৰতিবাদ কৰিছিলা, ই অতি গুৰুত্বপূৰ্ণ কথা। আৰু বুঢ়াক ছেগ বুজি মুহূৰ্ততমানো পলম নকৰি বন্দী কৰাত তোমাৰ তাৎক্ষণিক তথা উপস্থিত বুদ্ধিৰ প্ৰখৰতাৰ প্ৰমাণ দাঙি ধৰিছিলা। পত্নী হোৱাৰ পূৰ্ণ যোগ্যতা তোমাৰ আছে—এই কথাত মই, সম্পূৰ্ণ নিঃসন্দেহ। এতিয়া—যদি আপত্তি নাই, মই তোমাক বিয়া কৰাম।"

ঘৰুৱা কাম-বন কৰা মানুহ এজনৰ যোগেদি আপুনি যি অপূৰ্ব নাট মিলিছিল, জীৱনৰ আন ক্ষেত্ৰতো তেনেকুৱা কৰে যদি লাখ লাখ টকা উপাৰ্জন কৰিব পাৰিব।" এই বুলি কৈ, সুবৰ্চলাই বুঢ়াক সেই কোঠাটোৰ দুৱাৰ খুলি উলিয়াই দিলে। বুঢ়াই চকু মোহাৰি মোহাৰি ঘৰৰ বাৰাণ্ডাত থিয় হ'লহি।

সুবৰ্চলাই মোহনক ক'লে, "আপোনাৰ এইবোৰ কাম—মোৰ যোগ্যতাৰ পৰীক্ষা লোৱাৰ এনে অদ্ভুত প্ৰচেষ্টা—মই একেবাৰেই ভাল পোৱা নাই। এই অত্যদ্ভুত কথা-কাণ্ডৰ মাজত জ্ঞান-বুদ্ধিৰ কোনো পৰিচয় থকা বুলি মই নাভাবোঁ। আপোনাৰ এই পগলা-ধেমালি এইবাৰলৈ সহ্য কৰি মই আপোনাক পুলিছৰ হাতত

গতাই নিদিলোঁ। এতিয়া, আপুনি যদি এতিয়াই এই মুহূৰ্ততে ইয়াৰপৰা আঁতৰ নহয়, আপোনাৰ সন্মান মই ৰক্ষা কৰিব নোৱাৰিম।" এই বুলি কৈ সুবৰ্চলাই যুৱকক গুচি যাবলৈ ইংগিত কৰিলে।

সুবৰ্চলাৰ কথা শুনি বুঢ়া আৰু মোহন তলমূৰ হ'ল। সুবৰ্চলাৰ দেউতাকো তাত অলপমান আগতেই আহি পাইছিলহি দেউতাকে সুবৰ্চলাক ক'লে, "আই, ইমান আঢ্যৱন্ত ঘৰৰ ল'ৰা এজনে তোক বিয়া কৰাব খুজিছিল—আৰু তেনেস্থলত তেওঁক তই এনেবোৰ কথা কৈছনে?"

"দেউতা, এওঁলোকৰ টকা-পইচা আছে ঠিকেই ; কিন্তু মানুহৰ প্ৰতি সন্মান তথা সম্ভ্ৰম-বোধ সিমান নাই যেন পাইছোঁ। মোক এনেকৈ নাটকীয়ভাৱে পৰীক্ষা কৰাৰ কোনো আৱশ্যক আছিল বুলি মই নাভাবোঁ। টকা আছে বুলিয়েই যা-তা কৰাৰ অধিকাৰ কাৰো থাকিব নালাগে। টকাৰ টাটকেৰে মোক টুকুৰিয়াই চোৱাৰ কি দৰকাৰ আছিল মই একদম বুজা নাই।" সুবৰ্চলাই দেউতাকক ক'লে।

সুবৰ্চলাৰ দেউতাক অলপপৰলৈ নিমাত হৈ থাকিল। ইতিমধ্যে বোন্দা-খেকেচা খাই বুঢ়া আৰু মোহনো তাৰপৰা নোহোৱা হ'ল। সুবৰ্চলাৰ দেউতাকে সুবৰ্চলাক ক'লে, "মোৰ সৰুকালৰ বন্ধু ৰামভদ্ৰৰ ল'ৰা প্ৰভাতক নিশ্চয় চিনি পোৱা? তোমাক ৰামভদ্ৰই বোৱাৰী হিচাপে পাবলৈ বাট চাই আছে। প্ৰভাতে অৱশ্যে যথেষ্ট পৰিশ্ৰম কৰি খেতি-বাতি কৰি খায়—। এই বিয়াত তোমাৰ তোমাৰ মতামত জানিব খুজিছোঁ। পিছে—তুমি কিমান সুখ পাবা তাত ক ব নোৱাৰোঁ।"

সুবৰ্চলাই লাজ লাজ কৰি ক'লে, "শ্ৰমেই হ'ল সুখৰ সঁচাৰকাঠী। মোৰ অমত নাই। কৃত্ৰিম সুখৰ বোজা কঢ়িউৱাতকৈ এয়ে ভাল, দেউতা।"

শিৰ চাই টোকৰ

সপ্তশূৰ আছিল সিন্ধুদেশৰ ৰজা। সপ্তশূৰক বহুতেই শলাগিছিল। কোনো-বাই কৈছিল যে তেওঁৰ উপৰিপুৰুষসকল আছিল সুশাসক; খেনোৱে সৎ প্ৰজা-পালক হিচাপে সপ্তশূৰলৈ শলাগৰ শৰাই আগ বঢ়াইছিল। মূলত ধনী ব্যৱসায়ী, আৰু ৰাজসভাস্থ পণ্ডিতবৰ্গই এনেবোৰ প্ৰশংসা সদায় কৰিছিল; আৰু এওঁলোকৰ কণ্ঠত কণ্ঠ মিলাইছিল মন্ত্ৰী, সেনাপতি, আৰু অন্যান্য বহুতেই।

কিন্তু এবাৰ আনৰ কথাত হয়ভৰ নিদিয়াকৈ, আনৰ কথাৰ সোঁতত হুটাকৈ মহামন্ত্ৰী মাৰ্তণ্ডই ক'লে, "মহাৰাজ, দেশৰ বিশিষ্ট লোকসকলে আপোনাৰ শাসন-কাৰ্য্যৰ প্ৰশংসা কৰে; আপোনাৰ আশ্ৰিত-সকলো আপোনাৰ প্ৰশংসাত পঞ্চমুখ। এনে অৱস্থাত—আমি ছদ্মবেশত ওলাই সাধাৰণ ৰাইজৰ মনোভাৱৰ উমান-প্ৰমাণ লোৱা আৱশ্যক বুলি মই ভাবোঁ।"

মহাৰাজ সপ্তশূৰ মহামন্ত্ৰীৰ প্ৰস্তাৱত সন্মত হ'ল। পাছদিনা ৰাতি পুৱাৰ আগতেই তেওঁলোক ছদ্মবেশত ওলাল। ৰাজধানী পাৰ হৈ তেওঁলোক আন এখন সৰু ঠাইলৈ গ'ল, আৰু তাত এজন মগনিয়াৰক দেখা পালে।

মহামন্ত্ৰীয়ে মগনিয়াৰজনৰ প্ৰতি মহা-ৰজাৰ দৃষ্টি আকৰ্ষণ কৰি ক'লে, "মহাৰাজ, আপোনাৰ দেশ-শাসনৰ বিষয়ে এই মগনিয়াৰটোক সুধি চাব পাৰে।"

মহাৰজাৰ বৰ মন নাছিল মগনিয়াৰক সোধাৰ। তেওঁ মন্ত্ৰীক ক'লে, "এনেবোৰ মগনিয়াৰক এই কথা সুধি—লাভ?"

বিনোদ চক্ৰৱৰ্তী



মহামন্ত্ৰীয়ে সবিনয়ে ক'লে, "মহাৰাজ, ই-ও আপোনাৰেই প্ৰজা। মনোভাৱৰ উমান-প্ৰমাণ ল'বলৈহে আমি ওলাইছোঁ।"

তেতিয়া ৰজাই মগনিয়াৰটোক সুধিলে, "হেৰা, তুমিনো ভিক্ষা খুজিছা কিয়?"

মগনিয়াৰটোৱে বিৰক্ত হৈ ক'লে, "এয়ানো কেনেকুৱা কথা! মই কিয় ভিক্ষা খুজিছোঁ—ই-ও জানিবলগীয়া কথা হ'লনে? যোৱা পঁচিছ বছৰ ধৰি মই এই কাম কৰি আছোঁ। এয়ে মোৰ কাম।"

মগনিয়াৰটোৰ কথাত ভাল পোৱা যেন হৈ মহাৰাজে মহামন্ত্ৰীক ক'লে, "ই মোৰ ককাৰ দিনৰেপৰাই খুজি খাইছে।"

ৰজাৰ কথা শুনি মগনিয়াটো বেছিকৈহে বিৰক্ত হ'ল। সি ৰজাক ক'লে, "আপোনাৰ ককা কোন—মই ক'ব নোৱাৰোঁ। পিছে—পঁচিছ বছৰ ধৰি এই কাম কৰি কৰি মই ভাগৰি পৰিছোঁ। এই কাম—এই ভিক্ষা কৰা যে কেনে ভয়ংকৰ—মই হাড়ে-হিমজুৰে বুজি পাওঁ।"

"অলপ ভাঙি-পাতি ক'বানে আমাক?" ৰজাই মগনিয়াৰটোক সুধিলে।

"শুনক, শুনিব খুজিছেই যেতিয়া। বিছ-পঁচিছ বছৰৰ আগতে এঘণ্টামান ভিক্ষা কৰাৰঅন্তত মোৰ এই জোলোঙাটো ভৰি যোৱাৰ উপৰিও চাৰি-পাঁচটা তামৰ পইচাও পাইছিলোঁ। তেতিয়া এঘণ্টাত যি পাইছিলোঁ, এতিয়া এদিন, দুদিন, তিনিদিন ধৰি ভিক্ষা খুজিও সেইখিনি নাপাওঁ। পুৱাৰপৰা গধূলিলৈ ভিক্ষা কৰি ফুৰিলেও জোলোঙাটোৰ এচুকো নভৰে। পইচা-পাতি কোনেও দিবলৈ নিবিচাৰে। দুখৰ কথা আৰুনো কিমান ক'ম?" এই বুলি কৈ, মগনিয়াৰটো তাৰপৰা গুচি গ'ল।

ৰজাই অলপ পৰলৈ নিমাত থাকি মন্ত্ৰীক ক'লে, "মগনিয়াটোৰ কথাৰপৰা এটা কথাও ওলাই পৰিছে যে—প্ৰজাবৰ্গৰ মনত দান-ধৰ্ম কৰাৰ স্পৃহা প্ৰায় নোহোৱা হৈ আহিছে।"

মহামন্ত্ৰী মাৰ্তণ্ডই ক'লে, "মহাৰাজ, মগনিয়াৰটোৰ কথাৰপৰা আন এটা কথাও ওলাই পৰিছে যে—বিগত পঁচিছ বছৰৰপৰা দুখীয়া প্ৰজাবৰ্গ অধিক দুখীয়া হৈ পৰিছে, আৰু লগতে সি নিজেও দুখীয়া হৈছে।"

ৰজাই অবাক মানি ক'লে, "কিনো কয় মহামন্ত্ৰী! মগনিয়াৰৰ আকৌ দুখীয়া হোৱাটোনো কি?"

"মহাৰাজ, মগনিয়াৰটোৱে ক'লে নহয় যে আপোনাৰ ককাৰ আমোলত অৱস্থা কিমান ভাল আছিল, আৰু এতিয়া কিমান বেয়া।" মহামন্ত্ৰীয়ে ৰজাক পানী পানীকৈ বুজাই দিলে।

"সেইদেখিহে মই কৈছোঁ যে প্ৰজাবৰ্গ মনত দান-ধৰ্মৰ ইচ্ছা হ্ৰাস পাই আহিছে।" মহাৰাজে ক'লে।

"ক্ষমা কৰিব, মহাৰাজ! মই আপোনাৰ সৈতে একমত হ'ব নোৱাৰিলোঁ। প্ৰজাবৰ্গৰ মনত দান-ধৰ্মৰ ইচ্ছা নোহোৱা হোৱাহেঁতেন দেশত চুৰি-ডকাইতি আৰু কাটন-মাৰন আদি অনাচাৰ আৰম্ভ হ'লহেঁতেন। কিন্তু এতিয়ালৈকো আমাৰ দেশৰ অৱস্থা তেনেকুৱা হোৱা নাই, মহাৰাজ!"

"তেনেহ'লেনো মগনিয়াৰটোৰ অৱস্থা বেয়া হ'ল কিয়?" ৰজাই সুধিলে।

"কিয়নো—যোৱা পঁচিছ বছৰৰপৰা দেশবাসীৰ অৱস্থা ক্ৰমাত বেয়ালৈ ঢাল লৈছে। প্ৰজাৰ অৱস্থা বেয়া হোৱাত ভিক্ষুকৰ অৱস্থা আৰু ক'ত ভাল হয়?" মাৰ্তণ্ড মহামন্ত্ৰীয়ে ক'লে।

তেতিয়াহে ৰজাৰ জ্ঞানোদয় হ'ল যে ধনী ব্যৱসায়ী আৰু উচ্চপদস্থ ৰাজ-কৰ্মচাৰীহঁতে তেওঁলৈ যে শলাগৰ শৰাই আগবঢ়ায়, তাৰ গুৰিত প্ৰকৃত প্ৰশংসা একেবাৰেই নাই। সদায় শলাগি থকা এই শঠাই-নৰকীহঁত আচলতে শঠা-মিত্ৰ। ইহঁত হ'ল শিৰ চাই টোকৰ মৰা মানুহ।



১৮

চন্দ্ৰবৰ্মা আৰু ধীৰমল্লৰ সৈন্যইতে পুৱাৰপৰা আবেলিলৈকে সিয়নিত শোৱা সৰ্পকেতুক ধৰিবলৈ চেষ্টা চলাই থাকিল। কত যে পাহাৰ নৈ অৰণ্য পাৰ হৈ সৈন্যইতে সৰ্পকেতুৰ পিছ ল'লে ; তথাপি সাতঘাটৰ পানী পিয়া সৰ্পকেতুক একোপধ্যে ধৰিব নোৱাৰিলে। শীতল সন্নিপাত সৰ্পকেতু পলাই সাৰিল। তেতিয়া দহজন বছা বছা অশ্বাৰোহী সৈন্যক সৰ্পকেতুৰ সা-সন্তেদ কঢ়িয়াই আনিবলৈ চাৰিওফালে পঠোৱা হ'ল। আৰু তাৰ পাছত......

বেলিয়ে লাহ দিলত সৈন্যহঁতৰ মাজত দুজন উভতি আহিল আৰু ক'লে যে সিহঁতে সৰ্পকেতুৰ সা-সন্ধান একো পোৱা নাই। কিন্তু সৰ্পকেতু পলাই যোৱা বাটত সিহঁতে সৰ্পকেতুৰ অস্তিত্বৰ প্ৰমাণ পাইছিল।

এই কথা শুনি চন্দ্ৰবৰ্মাই ধীৰমল্লক ক'লে, “ধীৰমল্ল, সৰ্পকেতু মাহিষ্মতী নগৰলৈ নগৈ পোনে পোনেই কাঁহৰ কিল্লালৈ গৈছে বুলি মোৰ দৃঢ় ধাৰণা হৈছে।”

চন্দ্ৰবৰ্মাৰ কথাত ধীৰমল্ল, আৰু সুবাহুও

একমত হ'ল। এতিয়া প্ৰশ্ন হ'ল—চন্দ্ৰবৰ্মা আৰু তেওঁৰ বাহিনী কোন পিনলৈ যাব? মাহিষ্মতী নগৰৰ পিনে নে কাঁহৰ দুৰ্গৰ পোনে? অৱশেষত স্থিৰ কৰা হ'ল যে তেওঁলোকে কাঁহৰ কিল্লালৈ গৈ, সৰ্পকেতুক হত্যা কৰিব, আৰু কাঁহৰ কিল্লাত থকা ধন-ৰত্ন লৈ আহিব।

এই সিদ্ধান্ত লোৱাৰ কিছুসময়ৰ পাছত চন্দ্ৰবৰ্মাই সসৈন্যে সৰ্পকেতু পলাই যোৱা বাটেৰে আগুৱাই গৈ থাকিল। সৰ্পকেতু পলাই যোৱা বাটত এৰি থৈ যোৱা চিনৰ উহ ধৰি ধৰি সসৈন্যে চন্দ্ৰবৰ্মাই আগবাঢ়িবলৈ ধৰিলে। পাহাৰ-জংগল পাৰ হৈ হৈ, আগুৱাই গৈ গৈ, এখন খৰস্ৰোতা নৈৰ পাৰত থমকি ৰৈ দিব লগা হ'ল। এক বিৰাট সৈন্যবাহিনীৰে সৈতে কেনেকৈ এনে ফেনে-ফোটোকাৰে বৈ যোৱা খৰস্ৰোতা নৈ পাৰ হ'ব—চন্দ্ৰবৰ্মাই ভাবি ভাবি পাৰ-কূল নোপোৱা হ'ল।

এইবোৰ সমস্যাত পৰি চন্দ্ৰবৰ্মা যেতিয়া গভীৰ চিন্তামগ্ন, তেতিয়া এজোপা বিৰাট গছৰপৰা তিনিমূৰীয়া বিৰাট সাপ এডাল তললৈ পৰিল। এই দৃশ্য দেখি সৈন্যইতৰ মাজত ভালেমান বেঙে মূতা গৰুৰ দৰে হৈ পৰিল। কিন্তু তিনিমূৰীয়া সাপটোৱে মানুহৰ ৰূপ ধৰি কৈ উঠিল, "চন্দ্ৰবৰ্মা!"

এই সৰ্প-মনুষ্যৰ মুখে নিজৰ নাম শুনি চন্দ্ৰবৰ্মা হতবাক হৈ পৰিছিল। কিন্তু কেইমুহূৰ্তমানৰ পাছত চন্দ্ৰবৰ্মাও তাৰ পিছে পিছে খৰকৈ আগুৱাই গৈ কৈ উঠিল, "কোন! কালকেতু! তুমি!" এই বুলি কৈ, "চন্দ্ৰবৰ্মাই সেই সৰ্প-মনুষ্যৰ হাত দুখনত সাৰট মাৰি ধৰিলে।

"হয়, চন্দ্ৰবৰ্মা, মই। ময়েই। তোমাৰ অনুগ্ৰহত মই কালকেতুৰ ৰূপ ঘূৰাই পাইছিলোঁ। তাৰ আগতে হৈ আছিলোঁ কাপালিনীৰ কালনাগ। যি কি নহওক, তুমি ইয়ালৈ আহি পোৱাৰ আগতে তোমাৰ শত্ৰু সৰ্পকেতু নৈ পাৰ হৈ গ'ল।



তাৰ লগত বহু সৈন্যও আছিল। সি কিছু পৰিমাণ কাঠেৰে ভুৰ সাজি এই নৈ পাৰ হৈ সিপাৰ পাইছিলগৈ। মই তাৰ পাছত সেই কাঠখিনি কৌশলেৰে গোটাই থৈছোঁ। ব'ল। চাবাগৈ।" এই বুলি কৈ কালকেতুৱে চন্দ্ৰবৰ্মাৰ হাতত ধৰি আগুৱাই গ'ল।

কাঠৰ বিৰাট দ'মটোলৈ আঙুলিয়াই কালকেতুৱে ক'লে, "চন্দ্ৰবৰ্মা, তোমাক সহায় কৰিবলৈহে এই কাঠখিনি গোটাই ইয়াত থৈ আছোঁ। ইয়াত অপেক্ষা কৰিলে যে তোমাক লগ পাম, সেই কথাত মই নিশ্চিন্ত হৈ আছিলোঁ। কাপালিনী বহু দিনৰ আগতে ঢুকাল। ভূত-ভবিষ্যৎ আৰু বৰ্তমান দেখিবলৈ পোৱা সেই গোলকটো আৰু মানুহৰ সেই অস্থিডাল মোক কাপালিনীয়ে দি গ'ল। মই এই গোলকৰ মাজতে তোমাক বাৰে বাৰে দেখা পাইছিলোঁ। তুমি যিহেতু মোৰ বন্ধু, সিহেতু তোমাৰ শত্ৰু মোৰো শত্ৰু। সেই কাৰণে সৰ্পকেতু মোৰ শত্ৰু। এতিয়া, এই গোলকটোত তুমিও চাই লোৱাহি, সৰ্পকেতুৱে ক'ত কি কৰিছে। কালকেতুৱে গছজোপাৰ আঁৰত থকা সেই কাঁচৰ গোলকটোক আনি, মন্ত্ৰ মাতি, গোলকটোৰ ওপৰত মানুহৰ দেহৰ অস্থিডাল ধীৰে ধীৰে বুলাবলৈ ধৰিলে।

আৰু তেতিয়া গোলকটোৰ ভিতৰত এক অদ্ভুত দৃশ্য ফুটি ওলাল।

গোলকটোৰ ভিতৰত পৰিষ্কাৰভাৱে কাঁহৰ দুৰ্গ (কাঁহৰ কিল্লা) দেখা গ'ল। বেলিৰ উজ্জ্বল পোহৰ পৰি কাঁহৰ কিল্লাৰ দেৱালবোৰ জলমলাই আছিল। কাঁহৰ কিল্লাৰ উত্তৰ দিশৰ ঘাই দুৱাৰখন খোলা। তাত সৰ্পকেতুৰ সৈন্য কিছুমান পৰ দি বৈ দেখা গ'ল।

আৰু কাঁহৰ কিল্লাৰ ভিতৰত সৰ্পকেতুৰ সৈন্যইতে সোণ-মণি-মুকুতা ডাঙৰ ডাঙৰ পাচিত ভৰাই থকা দেখা গ'ল।

কালকেতুৱে ক'লে, "চন্দ্ৰবৰ্মা, এতিয়া আমাৰ শত্ৰুৰ সন্ধান পালোঁ। কাঁহৰ কিল্লাৰ দেৱালত সাগৰে ঢৌৱায়হি বুলি বহুতৰেই ধাৰণা আছিল। প্ৰায় এশ বছৰৰ আগতে সাগৰৰ ঢুৱাৰ-গঁৰিলাই কাঁহৰ কিল্লাৰ দেৱালত খুন্দিয়াইছিলহি। কিন্তু এতিয়া সাগৰ তাত আৰু নাই; সাগৰ প্ৰায় এক ক্ৰোশ আঁতৰি গৈছে।"

কালকেতুৰ সহযোগিতা পাই চন্দ্ৰবৰ্মাই উৎসাহৰে সৈতে তেওঁৰ সৈন্যসকলক নৈ নৈ পাৰ হোৱাৰ উদ্যোগ ল'লে। কালকেতুৱে সংগ্ৰহ কৰা সেই কাঠেৰে ভুৰ সাজি তেওঁলোকে অতি সাৱধনতাৰে নৈ পাৰ হৈ সিপাৰ পালেগৈ।

নৈ পাৰ হোৱাৰ পাছত কালকেতু ঘোঁৰাত উঠি পথ-প্ৰদৰ্শক হ'ল আৰু সকলোটিয়ে পিছে পিছে গৈ থাকিল।

আৰু এইদৰে গৈ গৈ চন্দ্ৰবৰ্মাই সসৈন্যে কাঁহৰ কিল্লা পালেগৈ।

কাঁহৰ কিল্লাৰ দেৱালবোৰ আছিল অতি ওখ, কব'লৈ গ'লে আকাশলংঘা। উত্তৰ দিশৰ ঘাই ঢুৱাৰলৈ গৈ চালে যে সেই ঢুৱাৰখন ভিতৰফালৰপৰা বন্ধ। এই কিল্লাৰ দেৱাল, আৰু বিশাল বিশাল ঢুৱাৰবোৰো কাঁহেৰে তৈয়াৰী আৰু বিৰাট ডাঠ কাঁহেৰে তৈয়াৰী। এই কাঁহৰ ঢুৱাৰ ভাঙি সোমোৱা যে অসম্ভৱ সেই কথা বুজিবলৈ কাৰো বাকী নাথাকিল।

এনে পৰিস্থিতিত কি কৰা উচিত, সেই জটিল কথা চন্দ্ৰবৰ্মা, ধীৰমল্ল, আৰু সুবাহুৱে ভাবি থাকিল।

আৰু ঠিক তেতিয়াই কঁহৰ দুৰ্গৰ দেৱালৰ ওপৰত থিয় হৈ সৰ্পকেতুৱে বীভৎস গৰ্জন কৰি উঠিল। সৰ্পকেতুৰ কাষত সোণ-মণি-মুকুতাৰ মোনা হাতত লৈ কেইটামান সৰ্পসৈন্যো থিয় হৈ আছিল।

সৰ্পকেতুৱে তাৰ সৈন্যহঁতলৈ আঙুলিয়াই চন্দ্ৰবৰ্মাৰ সৈন্যহঁতক ক'লে, "মোৰ সৈন্যহঁতৰ হাতত এইবোৰ ডাঙৰ ডাঙৰ মোনা দেখিছাই। এইবোৰ মোনাত আছে সোণ-মণি-মুকুতা। চন্দ্ৰবৰ্মাক যিহঁতে এৰি আহিবা—সিহঁতৰ কাৰণে কঁহৰ কিল্লাৰ দুৱাৰ খুলি দিয়া হ'ব, আৰু তোমালোকৰ প্ৰতিজনক মোনাভৰ্তি সোণ-মণি-মুকুতা-হীৰা দিয়া হ'ব। তোমালোক মোৰ ফলীয়া হৈ আহাঁ।" সৰ্পকেতুৱে এই কথা কোৱাৰ লগে লগেই সৰ্পকেতুৰ সৈন্যহঁতে মোনাৰপৰা মণি-মুকুতা চন্দ্ৰবৰ্মাৰ সৈন্যহঁতলৈ দলিয়াবলৈ ধৰিলে।

আৰু ইমান সোণ-মণি-মুকুতা-হীৰাৰ টুকুৰাবোৰ বুটলিবলৈ হুলস্থুল লাগি পৰিল।

মণি-মুকুতা পোৱাৰ আশাৰে সৈন্যহঁতৰ কাণ্ড দেখি চন্দ্ৰবৰ্মা প্ৰচণ্ড চিন্তিত হৈ পৰিল। চন্দ্ৰবৰ্মাই ভাবিলেঃ পৰিস্থিতি বেয়ালৈ ঢাল ল'ব পাৰে। চন্দ্ৰবৰ্মাই সুবাহুক ক'লে, "সুবাহু, তুমি আমাৰ



কিছুমান বীৰপুৰীয়া সৈন্যৰ লগত গুন-গুনকৈ কথা পাতিলে। তাৰ পাছতেই হঠাৎ একলগে বহুতো সৈন্যই মিলি কৈ উঠিল, "জয়! মহাৰাজ সৰ্পকেতুৰ জয়!"

আৰু লগে লগে চন্দ্ৰবৰ্মাৰ নিজা সৈন্যবাহিনীৰ লগত সুবাহুৰ সৈন্যবাহিনীৰ যুদ্ধ যুদ্ধ খেলা লাগি পৰিল। যুদ্ধ যিমান, যুদ্ধৰ গৰ্জন তাৰ দহোগুণে অধিক। ধূৰ্ততয়ো ভুল কৰে, সৰ্পকেতুৱেও ভুল কৰিলে। সি ভাবিলে: এইবাৰ! এইবাৰ কালে চন্দ্ৰবৰ্মাৰ পাছ লাগিছে! তাৰ সৈন্যহঁত লোভৰ জালত পৰি দুভাগ হৈ পৰিছে। এয়ে মোৰ সুবৰ্ণ সুযোগ!

সৰ্পকেতুৱে চিংকাৰ কৰি আদেশ দিলে, "দুৰ্গৰ পিছফালৰ দুৱাৰ খুলি দিয়া?"

সৰ্পকেতুৰ মনত কাৰ দিন কাৰ ৰাতি। সি পুনৰ আদেশ দিলে, "কিল্লাৰ দুৱাৰ তুৰন্তে খুলি দে!"

আৰু সৰ্পকেতুৰ সৈন্যহঁতে দুৱাৰ খুলি দিয়াৰ লগে লগে সসৈন্যে সুবাহু, আৰু সুবাহুৰ সৈন্যহঁতৰ আঁৰ লৈ সসৈন্য ধীৰমল্ল আৰু চন্দ্ৰবৰ্মাও সোমাই আহিল, আৰু সোমাই আহিয়েই সৰ্পসৈন্যক কচুকটা দিবলৈ ধৰিলে।

এয়া যে এক বিৰাট বিশ্বাসঘাতকতা, কেইমুহূৰ্তমানৰ অন্ততে সৰ্পকেতুৱে ঠাৱৰ

বীৰপুৰীয়া সৈন্যহঁতক লগত লৈ কিল্লাৰ আৰু কাষ চাপি গৈ এনে ভাও জুৰিবা যে তুমি এইবোৰ সৈন্যৰে সৈতে সৰ্পকেতুৰ দলত যোগ দিবা বুলি সি সৰ্পকেতুৱে ভাবিব। তুমি তাক চিঞৰি চিঞৰি এইবোৰ কথা ক'বা। সি কিল্লাৰ দুৱাৰ খুলি দিব, আৰু তুমি বীৰপুৰীয়া সৈন্যহঁতক লৈ ভিতৰলৈ সোমাই যাবা। তোমাৰ পিছে পিছে মই, আৰু ধীৰমল্লো গৈ থাকিম, আৰু তেতিয়া আমি একেলগে তাক আক্ৰমণ কৰি কচুকটা দিম!"

চন্দ্ৰবৰ্মাৰ কথাত সুবাহুৱে ভালেই পালে। আঁচনিটো ভালেই। আঁচনিমতে, সুবাহুৱে

কৰিব পাৰিলে। সৰ্পকেতুৰ সৈন্যহঁতে কিল্লাৰ দেৱালৰ ওপৰত থিয় হৈ সুবাহুৰ, ধীৰমল্লৰ আৰু চন্দ্ৰবৰ্মাৰ সৈন্যহঁতৰ ওপৰত শিলগুটি দলিয়াবলৈ ধৰিলে।

চন্দ্ৰবৰ্মাই ক'লে, "সুবাহু, সম্ভৱ হ'লে সৰ্পকেতুক অৱশ্যেই জীয়ন্তে ধৰিবা, আৰু নহ'লে তাক তুমি হত্যা কৰিবা।

সুবাহুৱে সৰ্পকেতুক জীয়ন্তে ধৰিবলৈ প্ৰাণটাকি চেষ্টা কৰাৰ অন্তত বুজি পালে যে তাক ধৰাটো বৰ সহজ কাম নহয়। সৰ্পকেতুৱে তাৰ আগত যাক পাইছে তাকে ঘচংকৈ কাটিবলৈ ধৰা দেখি সৈন্যহঁত বেঙে মৃতা গৰুৰ দৰে হৈ পৰিল।

এনেতে হঠাৎ কালকেতুৱে কৈ উঠিল, "চন্দ্ৰবৰ্মা, সৰ্পকেতুৰ প্ৰকৃত প্ৰতিদ্বন্দ্বী হ'লোঁ মই। তাক জীয়ন্তে ধৰিবলৈ হ'লে মইহে পাৰিম।" কালকেতুৱে তৰোৱাল দাঙি কাঁহৰ কিল্লাৰ দেৱাল বগাই উঠিবলৈ ধৰিলে, আৰু দেৱালৰ ওপৰ পায়েই কালকেতুৱে সৰ্পকেতুক ক'লে, "সৰ্পকেতু, তুমি কাৰ বিৰুদ্ধে যুঁজিছা, জানানে? মই সেই কালকেতু যাৰ নাম তিনিমূৰীয়া সৰ্প, তথা কালনাগ।" আৰু এই কথা কৈয়েই কালকেতু পুনৰ কালনাগলৈ ৰূপান্তৰিত হ'ল।

কালকেতুৰ এই ৰূপ দেখি ভয়ানক ভয় খাই সৰ্পকেতু কাঁহৰ কিল্লাৰ দেৱালৰ-পৰা বাগৰি পৰিল। লগে লগে চন্দ্ৰবৰ্মা লৰি গ'ল। কিন্তু তিনমানতে সৰ্পকেতু ঢুকাল। তেতিয়া সৰ্পকেতুৰ সৈন্যহঁতে চন্দ্ৰবৰ্মাৰ ওচৰত আত্মসমৰ্পণ কৰিলে।

কালকেতুৱে চন্দ্ৰবৰ্মাৰপৰা অনুমতি খুজিলে কাঁহৰ কিল্লাত থাকিবলৈ। চন্দ্ৰবৰ্মাই সানন্দে কালকেতুক এই অনুমতি দিলে। ৰাতিছোৱা কাঁহৰ কিল্লাত থাকি, পাছদিনা চন্দ্ৰবৰ্মাই ৰুদ্ৰপুৰলৈ বুলি ৰাওনা হ'ল। চন্দ্ৰবৰ্মাই লগত লৈ গ'ল কাঁহৰ কিল্লাত পোৱা অপৰিমিত ধন-সোণ-মণি-মুকুতা-হীৰা আদি ৰত্নৰাজি। দুদিন দুনিশা

একেৰাহে খোজ কঢ়াৰ পাছত চন্দ্ৰবৰ্মাই ৰুদ্ৰপুৰ পালেগৈ।

কিন্তু ৰুদ্ৰপুৰ পায়েই চন্দ্ৰবৰ্মা শুনিলে যে ৰজা শিৰসিংহ ৰুদ্ৰপুৰ তথা শিৰপুৰ এৰি অৰণ্য-পৰ্বত পাৰ হৈ পলাই গ'ল। তেতিয়া সেই বৃদ্ধৰ পুত্ৰ দেৱলক চন্দ্ৰবৰ্মাই ৰুদ্ৰপুৰৰ ৰজা পাতিলে।

*

তাৰ পাছত চন্দ্ৰবৰ্মা মাহিষ্মতীলৈ বুলি ৰাওনা কৰিলে। মাহিষ্মতীৰ অধিবাসীসকলে ইতিমধ্যেই অত্যাচাৰী ধূৰ্ত সৰ্পকেতুৰ মৃত্যু সংবাদ পাইছিল। মাহিষ্মতীৰ অধিবাসীবৃন্দই চন্দ্ৰবৰ্মাক বাদ্য-ভাণ্ডসহকাৰে বৰণ কৰিবলৈ বহুদূৰলৈ আগুৰাই গ'ল। তেওঁলোকে চন্দ্ৰবৰ্মাকে মাহিষ্মতীৰ নগৰৰ শাসনভাৰ ল'বলৈ কোৱাত চন্দ্ৰবৰ্মা সন্মত নহ'ল। তেওঁ ক'লে, "ৰজা যশোবৰ্ধনৰ জ্যেষ্ঠ পুত্ৰ তপোবৰ্ধনক মাহিষ্মতীৰ ৰজা পতা উচিত।"

মাহিষ্মতীৰ একপ্ৰান্তত সৰু আশ্ৰম এখন সাজি তপোবৰ্ধনে তাত তপস্যা কৰি আছিল। সিংহাসন গ্ৰহণ কৰাৰ অনুৰোধৰ উত্তৰত তপোবৰ্ধনে ক'লে, "বহুকালৰ আগতেই মই সৰ্বস্ব ত্যাগ কৰিছোঁ। মোৰ মনৰ ক'তো ৰজা হোৱাৰ বাসনা নাই। চন্দ্ৰবৰ্মা হ'ল দেশৰ গৌৰৱ। তোমালোকৰ গভীৰ মৰম তথা শ্ৰদ্ধাও পাইছে তেওঁ। তোমালোকে চন্দ্ৰবৰ্মাকে ৰজা পতা উচিত।"

*

তাৰ পাছত এদিন আপামৰ প্ৰজাৰ আশীৰ্বাদ শিৰত লৈ, চন্দ্ৰবৰ্মা বাধ্যত পৰি সিংহাসনত বহিল। স্বয়ং তপোবৰ্ধনেই চন্দ্ৰবৰ্মাক ৰাজমুকুট পিন্ধাই দিলে। চন্দ্ৰবৰ্মাই ধীৰমল্ল আৰু সুবাহুক যথাক্ৰমে সেনাপতি আৰু মহামন্ত্ৰী পাতি এগৰাকী সৎ প্ৰজামংগলকাৰী ৰজা হিচাপে মাহিষ্মতীত ৰাজত্ব কৰিবলৈ ধৰিলে।

স্বাৰ্থবুদ্ধি

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গৈ, গছৰ ডালৰপৰা শ'টো নমাই আনি, কান্ধত পেলাই লৈ, নীৰৱে-নিমাতে শ্মশানলৈ বুলি গৈ থাকোঁতে শ'ৰ মাজত থকা বেতালে ক'লে, "হে ৰজা, তুমি কাৰ বাবে ইমান শ্ৰম কৰিছা? শ্ৰম স্বাৰ্থৰ কাৰণে কৰা হয়, আকৌ কেতিয়াবা স্বাৰ্থ বিনেও নোহোৱা নহয়। এই বিষয়ত কোনোবা বহুদূৰলৈ আগুৱাই যায়, কোনোবাই হোঁহকাও মাৰে। এই ক্ষেত্ৰত সাধাৰণ মানুহ আৰু গন্ধৰ্বৰ মাজত কোনো প্ৰভেদ নাই। মই এটা সত্য কাহিনী কওঁ শুনা। এই কাহিনীয়ে আন নহ'লেও তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ কৰিব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে :

ক্ৰুৰবীৰ দেশত ধৰ্মবীৰ নামৰ এজন

'বেতাল-কথা'

সামন্ত আছিল। এওঁৰ আছিল দুজনী বিবাহযোগ্যা জীয়েক। এজনীৰ নাম নৰ্মদা, আনজনী নীৰদা। দুয়ো দেখাত ধুনীয়া; পিছে নীৰদা আছিল নৰ্মদাতকৈয়ো ৰূপতো ৰূপৱতী, গুণতো গুণৱতী। কিন্তু জাগতিক বস্তু তথা ধন-সম্পদলৈ নৰ্মদাতকৈ নীৰদাৰ আসক্তি আছিল অধিক।

এদিন পদ্মকেতু নামৰ এজন গন্ধৰ্ব আকাশপথেদি গৈ থাকোঁতে নৰ্মদাক বনবিহাৰ কৰিবলৈ দেখা পাই, তাইৰ অতিশয় সৌন্দৰ্য্য দেখি মোহিত হৈ, আকাশৰপৰা নামি আহি তাইৰ আগত থিয় হৈ ক'লে, "হে সুন্দৰী!"

এই শব্দটো শুনি নৰ্মদাই দস্তুৰমত অবাক হৈ পদ্মকেতুলৈ ঘূৰি চালে। একেবাৰে অচিনাকি পদ্মকেতুক দেখি তাই উচপ খাই উঠিল।

পদ্মকেতুৱে নৰ্মদাক ক'লে, "মোৰ নাম পদ্মকেতু। আকাশপথেদি গৈ থাকোঁতে তোমাৰ সৌন্দৰ্য্যলৈ চাই অভিভূত হৈ মই আকাশৰপৰা নামি আহিছোঁ। তোমাৰ যদি মত আছে—মই নিশ্চয়েই তোমাক বিবাহ কৰাম।"

এই কথা শুনি নৰ্মদাই হতবাক হৈ পৰিল। পাছত তাই ক'লে, "মই যে আপোনাৰ কথাৰ কি উত্তৰ দিম, ভাবিকে পোৱা নাই। আপুনি কালিলৈ গধূলিলৈকে মোক সময় দিয়ে যদি, মই আপোনাৰ প্ৰস্তাৱ ভাবি চাব পাৰোঁ।"

নৰ্মদাৰ এই প্ৰস্তাৱত সন্মত হৈ গন্ধৰ্ব পদ্মকেতু তৎক্ষণাৎ আকাশপথেৰে পুনৰ গন্ধৰ্বলোকলৈ উভতি গ'ল।

আৰু নৰ্মদাই তেতিয়াৰেপৰাই ভবা-গুণাৰ সাগৰত হাবুডুবু খাবলৈ ধৰিলে। ভাবি ভাবি ভাবি ভাবি—হঠাৎ ৰাতিৰ পৰতে তাই মূৰত বুদ্ধি এটা সোমাল। আৰু তাৰ পাছত তাই নিশ্চিন্ত মনেৰে টোপনি গ'ল।

পাছদিনা নিৰ্দিষ্ট সময়ত গন্ধৰ্ব পদ্মকেতু

উপস্থিত হ'লহি।

নৰ্মদাই পদ্মকেতুক নম্ৰতাৰে ক'লে, "আপোনাৰ প্ৰস্তাৱৰ বিষয়ে মই গভীৰভাৱে চিন্তা কৰি চাইছোঁ। পিছে—মোৰ সিদ্ধান্ত জনাৰ আগতে আপুনি সৌ টিলাটোৰ ওপৰত বহি থকা মোৰ ভনীটিক চাই আহকগৈ।"

পদ্মকেতু নীৰদাৰ কাষ চাপিল। নীৰদাৰ সৌন্দৰ্য্য অতুলনীয়। নৰ্মদাৰ প্ৰতি যিমান আকৰ্ষণ বোধ কৰিছিল, তাতকৈ দহোগুণে অধিকভাৱে পদ্মকেতু নীৰদাৰ প্ৰতি আকৰ্ষিত হ'ল।

নীৰদাক দেখা পাই পদ্মকেতুৱে নৰ্মদাৰ কথা সমূলি পাহৰি থাকিল। পদ্মকেতুৱে নীৰদাৰ কাষ চাপি নৰ্মদাক কোৱাদি ক'লেগৈ, "হে সুন্দৰী!"

উচপ খাই উঠি নীৰদাই গন্ধৰ্ব পদ্মকেতুলৈ চালে। চাই তাই অভিভূত হৈ পৰিল। তাইৰ বিহ্বল-বিভ্ৰান্ত ভাৱ দেখি পদ্মকেতুৱে মিঠাকৈ হাঁহি মাৰি ক'লে, "হে সুন্দৰী, মই পদ্মকেতু, মই এজন গন্ধৰ্ব। আমাৰ গন্ধৰ্বলোকত তোমাৰমান সুন্দৰী এজনীও নাই। তোমাৰ যদি মত আছে—মই তোমাক বিবাহ কৰাবলৈ বিচাৰোঁ।"

বিহ্বল নীৰদাই পদ্মকেতুলৈ চাই পদ্মকেতুৰ প্ৰস্তাৱত তাইৰ সন্মতি দিলে। পদ্মকেতুৱে সেই মুহূৰ্ততে সেই ঠাইত তাইক বিয়া কৰাব বুলি ক'লে। গন্ধৰ্ব পদ্মকেতুৰ এনে আগ্ৰহলৈ চাই নীৰদা অবাক হৈ পৰিল।

কিন্তু নীৰদাই পদ্মকেতুৰ এই প্ৰস্তাৱত মান্তি নহৈ ক'লে, "তুমি মোক এইদৰে বিয়া কৰালে আমাৰ বিয়াৰ কথা কোনেও নাজানিব। মই মা-দেউতাক বিয়াৰ কথা বিয়াৰ আগতে ক'ম—তেওঁলোকে বিয়াৰ কাৰণে যি ৰভা সাজিব, তেতিয়া, তাতহে মই বিয়া কৰাম।"

তাৰ পাছত নীৰদাই তাইৰ বাইদেৰেক

নৰ্মদাক এই কথাত কোৱাত নৰ্মদাই নীৰদাক ক'লে, "তুমি শুনি হয়তো ভাল নাপাবা, তথাপি কওঁ, পদ্মকেতুৱে পোনতে কিন্তু মোকেই ভাল পাইছিল। মোকো সি বিয়া কৰাব বুলি কোৱাত, তাক পৰীক্ষা কৰাৰ মনেৰে ময়েই তাক তোমাৰ ওচৰলৈ পঠিয়াইছিলোঁ; কিন্তু তোমাক পাই মোক সি ক্ষন্তেকত পাহৰি গ'ল। এই গন্ধৰ্বটো যে অতি চঞ্চল তথা পাতল মনৰ, তাৰ আৰু প্ৰমাণ নহ'লেও হ'ব। এনে ধৰণৰ গন্ধৰ্ব এটাক বিয়া কৰাই তুমি তোমাৰ জীৱন বিনষ্ট কৰিবানে? মোৰ এই অপ্ৰিয় কথাটো দকৈ, আৰু অতি ভালকৈ ভাবি চাবা বিয়া সোমোৱাৰ আগতে।"

কিন্তু তথাপি নীৰদাই ক'লে, "অদৃষ্টৰ আখৰ খণ্ডাব কোনে? মোৰ ভাগ্যত যি হ'বলগা, হৈ যাওক, বাইদেউ।"

এই ঘটনাৰ এমাহৰ ভিতৰত এক সামন্তপুত্ৰৰ সৈতে নৰ্মদাৰ বিয়া হৈ গ'ল। আৰু প্ৰায় ওচৰা-উচৰি সময়তে ধুমধামেৰে নীৰদাৰো বিয়া পতা হ'ল পদ্মকেতুৰ সৈতে। নৰ্মদাই সুখে-শান্তিৰে ঘৰ-সংসাৰ কৰি থাকিল; কিন্তু নীৰদাই মাত্ৰ তিনিটা দিনৰ বাবেহে স্বামী-সংগ পোৱা হ'ল। তিনিদিনৰ অন্তত গন্ধৰ্ব গুচি গ'ল, আৰু আৰু উভতি নাহিল। শোকে-দুখে নীৰদা ভাগি পৰিল। ভনীয়েকৰ এই অৱস্থালৈ চাই নৰ্মদা কাতৰ হৈ উঠিল।

কিছুদিন অন্তত কৰবীৰ দেশত জ্ঞানশেখৰ নামৰ এগৰাকী মহান সাধু আছিল। নৰ্মদাই তাইৰ ভনীয়েক নীৰদাক সেইগৰাকী সাধুৰ ওচৰলৈ লৈ গ'ল।

জ্ঞানশেখৰে নৰ্মদাৰ কাহিনী শুনি ক'লে, "নৰ্মদা, স্বাৰ্থবুদ্ধি অতিৰিক্তভাৱে প্ৰয়োগ কৰাতহে তোমাৰ জীৱনত এই বেদনাময় ঘটনা ঘটিল।"

সাধুৰ কথা শুনি নৰ্মদা তলমূৰ হৈ থাকিল। জ্ঞানশেখৰে নীৰদাক ক'লে, "মা,

তোমাক মই এফাকি মন্ত্ৰ শিকাই দিছোঁ। তুমি সেই মন্ত্ৰ জপ কৰি শক্তিস্বৰূপিনী পাৰ্বতীক স্মৰণ কৰিবা। তেতিয়া তুমি তোমাৰ সুখৰ সংসাৰ পুনৰ ঘূৰাই পাবা।"

কিছুদিনৰ অন্তত নীৰদাৰ মন্ত্ৰ জপ কৰাৰ সুফল ফলিল। তাৰ ফলত পদ্মকেতু পুনৰ নীৰদাৰ ওচৰতো উভতি আহিল, আৰু পদ্মকেতুৱে নীৰদাক গভীৰভাৱে মৰম কৰিবলৈ ধৰিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে ক'লে, "হে ৰজা, পদ্মকেতুৱে পোনতে নৰ্মদাক বিয়া কৰাব খুজিছিল। নৰ্মদাই কৌশল কৰি নীৰদাৰ লগত পদ্মকেতুক সাঙুৰি দিলে। সাধু জ্ঞানশেখৰে কৈছিল যে নৰ্মদা অতি স্বাৰ্থপৰ। এইবোৰ অধৰ্ম আৰু ন্যায়বিৰুদ্ধ কাম নহয়নে? নিজৰ ভনীয়েকক নৰ্মদাজনীয়ে এইদৰে বিপদগ্ৰস্ত কৰি তোলাটো উচিত হৈছিলনে? মোৰ এই প্ৰশ্নৰ উত্তৰত সঠিককৈ জানিও যদি নোকোৱা, তোমাৰ মূৰ ফাটি নিশ্চয়েই চাৰিফাল হ'ব।"

বেতালৰ এই কথাৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "নীৰদা আছিল অতি ভাল ছোৱালী। কিন্তু তাই মনত ভৱা মতে কাম কৰিব নোৱাৰিছিল। আৰু নৰ্মদা আছিল অতি বুদ্ধিমতী। সেয়েহে, তাই পদ্মকেতুক বিয়া কৰোৱাৰ আগতে তাক পৰীক্ষা কৰিছিল। এই পৰীক্ষা কৰাৰ কাৰণে তাই তাইৰ ভনীয়েককো ব্যৱহাৰ কৰাত কুণ্ঠা বোধ কৰা নাছিল। পদ্মকেতুৰ অস্থিৰমতিত্বৰ কথা বুজি পায়ো নৰ্মদাই তাই ভনীয়েকৰ অনিষ্ট প্ৰায় জ্ঞাতসাৰেই কৰিছিল। আৰু নৰ্মদাই যি কৰিছিল, সেয়া আছিল তেনেই স্বাভাৱিক।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

জীৱনৰ মূলধন

ৱিৰিঞ্চি নগৰৰ ঘাইআলিৰ ওপৰত বাসুদেৱৰ দোকান ঘৰ আছিল। বাসুৱে তাৰ দোকানৰ বাবে এজন কৰ্মচাৰী বিচাৰি আছিল। বৰ ডাঙৰ ব্যৱসায়ী শশীভূষণৰ দোকানৰ কৰ্মচাৰী জগদীশে কথাটো জানিব পাৰি বাসুদেৱৰ ওচৰলৈ গ'ল, আৰু তাৰ দোকানত কাম কৰিব বুলি ক'লে।

জগদীশে ক'লে যে, শশীৰ দোকানত পোৱাতকৈ দহটকা দৰমহা বেছি পালে সি বাসুদেৱৰ দোকানত কাম কৰিব।

বাসুৱে কিছু সময় ভাবিলে। তাৰ পাছত ক'লে, "তোমাৰ নিচিনা অভিজ্ঞ কৰ্মচাৰী মোক লাগে। কিন্তু তাত যে কিয় আৰু কাম নকৰিবা, সেই কথা মোক খুলি-মেলি ক'ব লাগিব। কেৱল দহটা টকাৰ কাৰণে তুমি ইমানদিৰ কামটো এৰি দিবা বুলি মই বিশ্বাস কৰিব পৰা নাই। আচল কাৰণ কোৱা যদি মোৰো উপকাৰ, তোমাৰো মংগল।"

"চাওক, আপোনাৰ লগত লুকাচানিও নেখেলোঁ, খৰৰ দৰবো খুখুন্দত নথঁহো। সেইবোৰ কৰি লাভ নাই। আপোনাক ভুকুকাবৰ দৰ্কাৰ নাই। মই উচিত কথা ক'বলৈ, উচিত কাম কৰিবলৈহে ভাল পাওঁ। কিন্তু মই সঁচা ক'লেও আপুনি মিছা বুলি ভাবিব পাৰে। তথাপি সঁচাকে কওঁ। শশীভূষণ মানুহজন কেনেকুৱা জানে—সদায় তেওঁ এটাৰ গোঁফকে দুটাৰ কৰি ফালি দেখুৱাব। আগুৱালে দোষ, পিছুৱালে মহাদোষ। হাঁচিলে খং উঠে, কাহিলে সন্দেহ কৰে। সদায়

কিশোৰী পটংগীয়া

ঐৱা-হৈয়া কৰি থকা লোকৰ তলত চাকৰি কৰাটো যে কি মই হাড়ে-হিমজুৰে বুজি পাইছোঁ।" জগদীশে ক'লে।

বাসুদেৱে খাটাং কথা পাছত ক'ব বুলি কৈ, শশীভূষণৰ ওচৰলৈ গ'ল।

বাসুদেৱে শশীভূষণক ক'লে, "আমাৰ গাঁৱৰ এঘৰে জগদীশক ছোৱালী দিবলৈ বিচাৰে। জগদীশ হ'ল আপোনাৰ কৰ্মচাৰী, গতিকে আপোনাৰপৰা জগদীশৰ খা-খবৰ ল'বলৈ আহিছোঁ।"

শশীভূষণে ক'লে, "জগদীশ খুব ভাল ল'ৰা। অত্যন্ত বিশ্বাসী। সঁচা ক'বলৈ হ'লে—সি মোৰ সোঁহাতখনৰ দৰে।"

তেতিয়া বাসুদেৱে জগদীশক ক'লে, "আপুনি জগদীশৰ ইমান যে প্ৰশংসা কৰিছে, পিছে জগদীশ আপোনাৰ ইয়াত কাম কৰাত অলপো আগ্ৰহী নহয়। তাৰ মতে—আপুনি হেনো আগুৱাই গ'লেও বিতুষ্ট হয়, পিছুৱালেও তুষ্ট নহয়; হাঁচিলে খং কৰে, কাহিলে সন্দেহ কৰে। আপুনি তাক যিমান দৰমহা দিয়ে—তাতকৈ দহটকা বেছিকৈ দিওঁ যদি, সি মোৰ দোকানত কাম কৰিব।"

এই কথা শুনি শশীভূষণে বাসুদেৱক ক'লে, "তেনেহ'লে—তাৰ এই বিয়াৰ কথা সঁচা নহয়নে কি?"

বাসুদেৱে ক'লে, "জগদীশৰ সম্বন্ধে খৰচি মাৰি জানিবলৈহে মই তেনেকৈ

সুধিছিলোঁ। আচলতে তাৰ সম্বন্ধে আপোনাৰ নিজস্ব আৰু প্ৰকৃত মতামতহে মোক লাগিছিল।"

শশীভূষণে বাসুদেৱক ক'লে, "মোৰ প্ৰকৃত মতামত আপোনাক ক'লোঁৱেই। মোৰ সম্পৰ্কে জগদীশৰ মতামত যিয়েই নহওক, তাৰ সম্পৰ্কে মই যি কৈছোঁ, সেয়ে প্ৰকৃত কথা।"

"আপোনাৰ চিন্তাধাৰাই মোক বিস্মিত কৰিছে। কোনোবাই আপোনাৰ নিন্দা কৰিলেও আপুনি যে কেনেকৈ সেইজনৰো প্ৰশংসা কৰে—মই তো ভাবিবই নোৱাৰোঁ।" বাসুদেৱে ক'লে।

"চাওক, জগদীশ প্ৰকৃততে ভাল, চালাক-চতুৰ আৰু বিশ্বাসী ল'ৰা। আপুনি যদি তাক দহ টকা বা বিছ টকা বেছি দিয়ে—আৰু সি যদি মোৰ কাম এৰি গুচি যায়—মই অলপো বেয়া নাপাওঁ। মানুহে আনৰ কাম কিয় কৰে? টকাৰ বাবেহে। বেছি পালে কিয় নাযাব সি? এই কথাত মই একো অন্যায় নেদেখোঁ। সিও যাব পাৰে, আপুনিও তাক ল'ব পাৰে!" শশীভূষণে ক'লে।

এই কথা শুনি বাসুদেৱৰ মুখত কোবোৱা দমৰা যেন হৈ তাৰপৰা গুচি গ'ল। আৰু লগে লগেই জগদীশে শশীভূষণক প্ৰণাম কৰি ক'লে "মোৰ সম্পৰ্কে আপুনি কোৱা কথাখিনি মই আঁৰৰপৰা শুনি আছিলোঁ। মোক আপুনি ক্ষমা কৰক। মই উচিত কড়ি বুকুত গুৰি পাইছোঁ। আপোনাৰপৰা টকা কিমান পাইছোঁ সেয়া ডাঙৰ কথা নহয়, মোৰ প্ৰতি আপোনাৰ মৰম আৰু বিশ্বাসেই মোৰ জীৱনৰ মূলধন।"

তাৰ পাছত, জগদীশে শশীভূষণৰ অধীনত বহু বছৰ কাম কৰাৰ অন্তত, শশীভূষণেই এদিন জগদীশক তাৰ নিজৰ দোকান পাতি দিছিল।



আমাৰ দ'ল-দেৱালয়

তিৰুপতি

এবাৰ নাৰদে বিষ্ণুক ভাৰতবৰ্ষৰ পূৰ্বাঞ্চলত অৱস্থিত এঠাইত সাতটা অপৰূপ পাহাৰ আৰু সেই পাৰ্ব্যতাঞ্চলৰ অপৰূপ সৌন্দৰ্য্যৰ কথা ক'লেগৈ।

কিছুদিনৰ অন্তত বিষ্ণু তালৈ গ'ল, আৰু সেই অতি মনোৰম ঠাইত এচটা শিলৰ ওপৰত বহি ধ্যানমগ্ন হ'ল।



কিছুদিনৰ পাছত বিষ্ণু তাৰপৰা গুচি গ'ল ; কিন্তু সেই শিলচটাৰ ওপৰত তেওঁৰ ৰূপৰেখা খোদিত হৈ থাকিল। কিছুদিন এইদৰে পাৰ হ'ল। পাছত সেই অঞ্চলত নতুন নতুন গছ-গছনিৰ সৃষ্টি হ'ল, চৰাইৰ মাত শুনা গ'ল।



এই অঞ্চলত গাই চৰাই ফুৰা গৰখীয়াই কেতিয়াবা কেতিয়াবা এজনী গাই হঠাৎ অদৃশ্য হোৱাৰ্লে মন কৰি অবাক মানিছিল। এই গাইজনীয়ে ঘৰত একো পথ্যে গাখীৰ নিদিয়ে। এদিন গাই-জনীক পাহাৰৰপৰা নামি যোৱা দেখি গৰখীয়াই গাইজনীলৈ লক্ষ্য ৰাখিলে।

গৰখীয়াই এদিন দেখিলে যে গাইজনী এঠাইত থমকি ৰ'ল, আৰু সেই গাইজনীৰ ওহাৰৰপৰা আপোনা-আপুনি গাখীৰ ওলাল। গাখীৰখিনি সেই শিলচটাৰ ওপৰত পৰিছিলগৈ।



গৰখীয়াই এই আচৰিত কথা ৰজাক ক'লেগৈ। ৰজাই সেই শিলচটা আন এটা পাহাৰৰ ওপৰত প্ৰতিষ্ঠিত কৰি, শিলত থকা মূৰ্তিৰেখা শিল্পীৰ দ্বাৰা স্পষ্টতৰ কৰি, মন্দিৰ নিৰ্মাণ কৰি দিলে।

পৰৱৰ্তীকালত সেই মূৰ্তি পূজিত হৈ থাকিল ভেঙ্কটেশ্বৰ মূৰ্তিৰূপে। লক্ষ্মীয়ে ভেঙ্কটেশ্বৰৰূপী বিষ্ণুক বিবাহ কৰাবলৈ মন কৰিলে। পাছত লক্ষ্মীয়ে পদ্মাৱতী ৰূপে আকাশৰজাৰ ঘৰত জনম ল'লে।

এবাৰ ভেঙ্কটেশ্বৰে মানুহৰ মূৰ্তি ধৰি সেই অঞ্চলত ঘূৰি ফুৰোঁতে পদ্মাৱতীক দেখা পাই ভাল পাই পেলালে, আৰু দুয়ো বিবাহ বন্ধনত আবদ্ধ হ'ল। তেতিয়াৰপৰা পদ্মাৱতীও একেলগে তিৰুমালা অঞ্চলত পূজিতা হৈ থাকিল।

আমাৰ দেশৰ শ্ৰেষ্ঠ দেৱালয়সমূহৰ অন্যতম হ'ল তিৰুপতি। পৰৱৰ্তী কালৰ ৰজা-মহাৰজাসকলে তিৰুপতি মন্দিৰক অধিক সৌন্দৰ্য্য দান কৰিছিল। তিৰুপতি মন্দিৰৰ ভালেখিনি অংশ নিভাঁজ সোণৰে বন-কৰা হৈছে।

প্ৰতিদিন প্ৰতিমুহূৰ্ত্তে ভক্ত দৰ্শনাৰ্থী-সকল তিৰুপতিলৈ যায়, হুণ্ডী লিখি দক্ষিণা দিয়ে। এই হুণ্ডীৰ ধন পঢ়া-লিখাৰ উন্নতি, ৰোগ-ব্যাধি নিৰাময় আদিত ব্যয় কৰা। সীতা, ৰাম আৰু লক্ষ্মণো কিছুদিন তিৰুপতিত আছিল বুলি পুৰাণত লিপিবদ্ধ আছে।

তেওঁলোক থকা ঠাই স্বামীতীৰ্থ নামেৰে খ্যাত। তাত এচটা শিলত বিষ্ণুৰ পদচিহ্ন অত্যন্ত স্পষ্টৰূপে খোদিত আছে। বিষ্ণুৰ চৰণ শিলৰ ওপৰত পৰাত হেনো চিহ্ন অঁকা হৈছে।





তিৰুপতি মন্দিৰৰ বিগ্ৰহৰ গাত অতি মুল্যৱান অলংকাৰ আছে। মণি-মুক্তা হীৰা-জহৰতৰে অসংখ্য স্বৰ্ণঅলংকাৰ এই বিগ্ৰহৰ গাত পিন্ধোৱা হৈছে। তিৰুপতি মন্দিৰৰ বিগ্ৰহ অতি জাগ্ৰত বুলি ভক্তসৱৰ দৃঢ় বিশ্বাস।



ভাগ্যদেৱী

আফ্ৰিকাত এজন মাছ-মৰীয়া মানুহ আছিল। সি এটা বিৰাট সৰোবৰত মাছ মাৰিছিল। নানান কৌশলেৰে সি মাছ মাৰিছিল। সি দেখাত কলহৰ দৰে পাচি এটাৰ এমূৰত ৰছী বান্ধি আৰু আন মূৰত কাঠৰ শলা বান্ধি পাচিবোৰ পানীৰ তলত বুৰাই ৰাখিছিল, আৰু কাঠৰ শলাবোৰ বৰশীৰ পুঙাৰ দৰে পানীৰ ওপৰত ওপঙি থাকিছিল। তাৰ পাছত, গধূলিৰ আগতে পাচিবোৰ পানীৰপৰা উঠাই আনি পুনৰ ঘৰমুৱা হৈছিল।

এদিন, দুটা পাচিৰপৰা এটা মাছো নাপালে সি। আৰু তৃতীয়টোত পালে মুঠেই এটা কেঁকোৰা। কিন্তু চতুৰ্থ পাচিটো দাঙি তোলোঁতে ইমান গধুৰ লাগিল যে সি আনন্দৰে নিজক নিজে কৈ উঠিল ঃ তেও—, আজি ঈশ্বৰে মোৰ বুলিলে তেও। ইমান গধুৰ পাচিটোত কিমান যে মাছ হ'ব! —কিন্তু পাচিটো পাৰলৈ উঠাই অনাৰ পাছত সি হতবাক হৈ পৰিল। পাচিটোৰ ভিতৰত এজনী বুঢ়ীৰ মৃতদেহ!

মাছমৰীয়া মৰা-মুৱা যেন হ'ল। আৰু তাৰ পাছত তাৰ উগ্ৰ খং উঠিল এই মৰা বুঢ়ীলৈ। সি খঙে-দুখে বুঢ়ীক পুনৰ সৰোবৰৰ পানীলৈ দলিয়াই পেলাওঁতে বুঢ়ীয়ে কৈ উঠিল, "মোক পানীত পেলাই নিদিবা। তুমি মোক তোমাৰ ঘৰলৈ লৈ যোৱা, চাবা, তোমাৰ ঢেৰ লাভ হ'ব।"

"তুমি মানুহজনী মৰিলা বুলিহে মই ভাবিছিলোঁ। তোমাক ঘৰলৈ লৈ যাম কিয়? মাছ মাৰি যি পাওঁ, তাৰে মোৰ

'আফ্ৰিকাৰ সাধু'



নিজৰ পেট প্ৰৱৰ্তোৱাও টান। তোমকানো কি খুৱাম? মোৰ ইমান ধনৰ বল নাই, মনৰ বলো নাই।" মাছমৰীয়াই ক'লে।

কিন্তু বুঢ়ী একেবাৰে বজ্ৰলেপ। তাই মাছমৰীয়াক কাকুতি-মিনতি কৰিবলৈ ধৰিলে। বাধ্যত পৰি মাছমৰিয়াই বুঢ়ীক ঘৰলৈ লৈ গ'ল। নিজৰপৰা আধাখিনি বুঢ়ীক খাবলৈ দিলে। তাৰ পাছত বুঢ়ীক সি সুধিলে, "মোৰ ঢেৰ লাভ হ'ব বুলি যে কৈছিলা—কেতিয়া হ'ব?"

"কালিলৈ গধূলি তুমি ভালেমান পশুৰ গৰাকী হ'বা। পাৰিলে এতিয়াই গড়াল এটা বনোৱা।" বুঢ়ীয়ে ক'লে।

বুঢ়ীৰ কথা শুনি মাছমৰীয়াৰ মুখৰ মাত হৰিল। সি বুঢ়ীক ইকথা-সিকথা সুধিবলৈ ধৰিলে। কিন্তু বুঢ়ীয়ে কোনো প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ মাত্ৰ এটা কথা ক'লে, "মই যি ক'লোঁ, তাকে কৰাঁ। আন কোনো প্ৰশ্ন নকৰিবা।"

কি আৰু কৰে মাছমৰীয়াই। বুঢ়ীৰ কথা মতে কাঠ-বাঁহ যোগাৰ কৰি সাজিলে গড়াল। আৰু পাছদিনা, গড়াল বনোৱা শেষ হোৱাৰ লগে লগে সেই সৰোবৰৰ সিমূৰৰপৰা হেম্বেলনিৰ শব্দ উঠিল। অসংখ্য গাই, দামুৰি আৰু বলদ আহি থাকিল। আৰু পোনে পোনেই সোমালহি নতুনকৈ সজা সেই গড়ালত।

ৰাতাৰাতি ইমানবোৰ গৰুৰ মালিক হৈ পৰাত মাছমৰীয়াৰ অৱস্থাৰ বিৰাট পৰিৱৰ্তন হ'ল। সি হৈ পৰিল সেই অঞ্চলৰ অন্যতম ধনী মানুহ। কিছুদিনৰ পাছত সি ঢেৰ মাটি কিনিলে, বিৰাট পকী ঘৰ সাজিলে। ৰাইজে তাৰ লগত সসম্মানে মাত-বোল কৰা হ'ল। সি দহভকতৰ আশীৰ্বাদলৈ ঘূৰিও নাচালে; দহভকতেইহে তাৰ আশীৰ্বাদ বিচাৰি আহে, ফালি-ফোঁটে নমস্কাৰ দিয়ে। তাৰপৰা দিহা-পৰামৰ্শ বিচাৰি কোনোবা-কুনুবি আহিলে সি কয়, "এচ্! আহি

পালাহিয়েইনে ?" মই এতিয়া বৰ ব্যস্ত হৈ আছোঁ। আৰু একেবাৰে শুদা হাতে কিয় আহিলা ?" সি বৰ অহংকাৰী যেন হৈ উঠিল।

এইদৰে ছমাহ উকলিল, এদিন সি চুবুৰীয়া গাঁৱলৈ গ'ল নিমন্ত্ৰণ খাবলৈ। তাত অন্যান্য খোৱাবস্তুৰ লগত পাৰমানে মদো খালে সি। তাৰ পাছত টলং ভটংকৈ ঘৰলৈ ঘূৰিল। ঘৰৰ সকলোটি তেতিয়া শুই নিঃপালি দিলেই। সি চিঞৰি থাকিল, "দুৱাৰ খোল, খোল দুৱাৰ। ঘৰৰ মালিক আহিছে বে—দুৱাৰ খোল।" তথাপি দুৱাৰ নোখোলা দেখি সি আৰু জোৰেৰে চিঞৰিলে, "হেই মৰা বুঢ়ী, খোল দুৱাৰ !"

এইবাৰ বুঢ়ীয়ে দুৱাৰ খুলি দি ক্ৰুদ্ধ কণ্ঠেৰে ক'লে, "তুমি দুখীয়া আছিলা, সেইদেখি মই তোমাৰ উপকাৰ কৰিছিলোঁ; মদ খাবলৈ এই উপকাৰ কৰা নাছিলোঁ। মই তোমাৰ ইয়াত নাথাকোঁ আৰু।"

"যা যা—এতিয়াই ওলাই যা, গুচ ইয়াৰপৰা। তই গুচি গ'লে মোৰ কান্ধৰপৰা ভূতুনী নামি গ'ল বুলি ভাবি ভালেই পাম।" মাছমৰীয়াই ক'লে।

পাছদিনা বুঢ়ীয়ে ঘৰ-দুৱাৰ চাফ-চিকুণ কৰিলে, তাক জা-জলপান খাবলৈ দিলে, আৰু তাৰ পাছত গোহালিৰ দুৱাৰ খুলি, পোনে পোনেই সেই সৰোবৰৰ বুকুত নামিলগৈ, বুঢ়ীৰ পিছে পিছে যতটি গাই দামুৰী-বলদ আছিল সিহঁতো গৈ গৈ পানীৰ বুকুত নোহোৱা হৈ গ'ল।

কিছুদিনৰ অন্তত মাছমৰীয়াৰ অৱস্থা দিনক দিনে বেয়া হ'বলৈ ধৰিলে। দাৰিদ্ৰ্যই পুনৰ তাক হেঁচি ধৰিলে। তাৰ মাটি-বাৰী সকলো নোহোৱা হ'ল। তেতিয়াহে সি বুজি পোৱা হ'ল যে ইমান দিন এক মৰা বুঢ়ীৰ ৰূপত তাৰ ঘৰতে অধিষ্ঠিত আছিল ভাগ্যদেৱী।

প্ৰতিভা

জ্ঞানানন্দ নামৰ এগৰাকী সাধু দেশৰ উত্তৰাঞ্চললৈ, আৰু বিজয়ানন্দ নামৰ আন এগৰাকী সাধু দেশৰ দক্ষিণাঞ্চললৈ তীৰ্থভ্ৰমণলৈ একেটা সময়তে ওলাল। তীৰ্থ ভ্ৰমি অহাৰ অন্তত এঠাইত দুজনৰ দেখাদেখি হ'ল। তীৰ্থযাত্ৰাৰ সম্পৰ্কে দুয়ো বহু কথা পাতিলে। এসময়ত জ্ঞানানন্দই কৈ উঠিল, "প্ৰত্যেকৰ মাজত কিবা-নহয়-কিবা বিষয়ত প্ৰতিভা আছে।"

এই কথাৰ উত্তৰত বিজয়ানন্দই মূৰ জোকাৰি ক'লে, "প্ৰত্যেকৰ মাজতে যে প্ৰতিভা থাকিব তাৰ কোনো মানে নাই। এয়া অসম্ভৱ কথা।"

এই কথাত দুয়োৰো মাজত তৰ্ক হ'ল। শেষত বিজয়ানন্দই ক'লে, "তোমাৰ মাজত কোন বিষয়ত প্ৰতিভা আছে—কোৱাচোন শুনো।"

লগে লগে জ্ঞানানন্দই ক'লে, "আনৰ মাজত কোন বিষয়ত কিমান প্ৰতিভা আছে, সেই কথা অনুধাৱন কৰাৰ প্ৰতিভা মোৰ আছে।"

বিজয়ানন্দই তৎক্ষণাৎ সুধিলে, "মোৰ মাজত কোন বিষয়ৰ প্ৰতিভা আছে কোৱাঁ।"

এই কথাৰ উত্তৰত জ্ঞানানন্দই ক'লে, "প্ৰতিপক্ষৰ যে প্ৰতিভা আছে, সেই কথা অনুধাৱন নকৰাৰ প্ৰতিভা তোমাৰ আছে।"

লাজ পাই বিজয়ানন্দই জ্ঞানানন্দৰ এই উত্তৰৰ উত্তৰ নিদিলে।

শিৱলীলা

১

মৃকণ্ডু মহর্ষি আছিল ভৃগুৰ সন্তান। তেওঁৰ পত্নীৰ নাম আছিল মৰুদ্বতি। বহুকালৰ অন্ততো তেওঁলোকৰ সন্তানাদি নোহোৱাত তেওঁলোকে তীৰ্থলৈ ওলাল।

এদিন কেদাৰেশ্বৰক পূজা কৰাৰ অন্তত তেওঁলোক ধ্যানমগ্ন হৈ থাকোঁতে শুনিলে, "এতিয়া তোমালোক নিজ-আশ্রমলৈ উভতি যোৱা। তোমালোকে পুত্ৰ-সন্তান লাভ কৰিবা। কিন্তু তোমালোকৰ পুত্ৰৰ আয়ুষ্কাল মাত্ৰ দ্বাদশ বৎসৰ।"

পুত্ৰসন্তান লাভ কৰাৰ কথাত যেনেকৈ আনন্দৰ শিখৰ পাইছিলগৈ, ঠিক তেনেকৈ বিষাদৰ সাগৰত পৰিল এই কথা শুনি, তেতিয়া স্বামী-স্ত্ৰীয়ে ভাবিলে ঃ দুঃখ কৰি কি হ'ব, সকলো শিৱৰ লীলা।

পুত্ৰসন্তান উপজিল। পুত্ৰটিৰ নাম মাৰ্কণ্ডেয়। দিনে দিনে মাৰ্কণ্ডেয়ই ডাঙৰ-দীঘল হ'বলৈ ধৰিলে। শিক্ষালাভৰ বাবে মাৰ্কণ্ডেয়ক গুৰুকুললৈ পঠোৱা হ'ল। তাত এঘাৰ বছৰ বয়সলৈকে শিক্ষা গ্ৰহণ কৰাৰ অন্তত মাৰ্কণ্ডেয় পুনৰ পিতৃ-মাতৃৰ ওচৰলৈ উভতি আহিল।

কিন্তু মাৰ্কণ্ডেয়ৰ পিতৃ-মাতৃৰ মনত শান্তি নাই। মাতৃ মৰুদ্বতিয়ে—পুত্ৰক সাৱটি ধৰি কেতিয়াবা কেতিয়াবা হুৰাওৰাৰে কান্দে। এই বিষয়ে বহু প্ৰশ্ন কৰিও মাৰ্কণ্ডেয়ই কেতিয়াও উত্তৰ নাপায়।

অৱশেষত পিতৃ মৃকণ্ডুই পুত্ৰ মাৰ্কণ্ডেয়ক

'মাৰ্কণ্ডেয়-কথা'



ক'লে, “বোপা, তুমি আৰু মাত্র এবছৰলৈহে আমাৰ লগত থাকিবা পাৰিবা। তাৰ পাছত ইহলোক ত্যাগি গুচি যাব লাগিব।” এই কথা কোৱাৰ পাছত মৃকণ্ডুয়ো কান্দিবলৈ ধৰিলে।

মাৰ্কণ্ডেয়ই ধীৰ-স্থিৰভাৱে ক'লে, “মই চিৰজীৱি হ'বলৈ শিৱৰ তপস্যা কৰিম। তোমালোকে মোক আশীৰ্বাদ কৰাঁ।”

ঠিক তেতিয়াই তাত নাৰদ ওলালহি। মৃকণ্ডুই নাৰদক সকলো কথা ক'লে। নাৰদে মাৰ্কণ্ডেয়ই যি সিদ্ধান্ত লৈছে, তাৰ ভূয়সী প্ৰশংসা কৰি তাক ক'লে, “বোপা মাৰ্কণ্ডেয়, তুমি তপস্যা কৰিবলৈ গৌমতী নৈৰ পাৰলৈ যোৱাঁ। তাত শিৱ-পঞ্চাক্ষৰী মন্ত্র জপি আৰাধনা কৰাঁগৈ। তোমাৰ জয় নিশ্চিত।” এই বুলি কৈ, নাৰদ তাৰপৰা গুচি গ'ল।

মাৰ্কণ্ডেয়ই গৌতমী নৈৰ পাৰলৈ গৈ, শিৱলিংগ প্ৰতিষ্ঠা কৰি ক'লে, “হে শিৱ! হে মহেশ্বৰ, তুমি মোৰ সকলো। তোমাৰ চৰণত মোক আশ্ৰয় দিয়াঁ। তোমাৰ চৰণতলৰপৰা মোক কেনেকৈ যমৰজাই লৈ যায়—ময়ো চাম।” এই বুলি কৈ, মাৰ্কণ্ডেয় কঠোৰ তপস্যাত মগ্ন হ'ল।

ইপিনে নাৰদে যমক সুধিলেগৈ, “হে যমৰাজ! এগৰাকী ঋষিপুত্রই যে মৃত্যুক জয় কৰিবলৈ কঠোৰ তপস্যা কৰি আছে সেই কথা জানানে? এই ঋষি-পুত্রটিৰ নাম হ'ল মাৰ্কণ্ডেয়। তুমি তাক কেনেকৈ লৈ আহাঁ, চাম মই। এইবাৰ তোমাৰ ক্ষমতাৰ পৰীক্ষা এটা হৈ যাব।” এই বুলি কৈ, নাৰদ তাৰপৰা গুচি গ'ল।

মাৰ্কণ্ডেয়ৰ আয়ুস শেষ হৈ আহিল। আৰু যমে মাৰ্কণ্ডেয়ক লৈ আহিবলৈ তেওঁৰ কালফুৰাইঁতক পঠালে।

কিন্তু কালফুৰাইঁত ব্যৰ্থ হৈ উভতি আহিল। তেতিয়া কালান্তক মহৰ পিঠিত উঠি যম নিজেই ওলাল।

যম যেতিয়া তাত উপস্থিত হ'লগৈ,



মূৰত থৈ ক'লে, "বৎস, তুমি মৃত্যুহীন। তুমি কল্প-কল্পান্তৰ ধৰি অমৰ হৈ থাকিবা।" এই বুলি কৈ, শিৱই মাৰ্কণ্ডেয়ক বৰ দান কৰিলে।

তেতিয়া দেৱতাসকল তালৈ লৰি আহিল। তেওঁলোকে শিৱক ক'লে, "হে দেৱাদিদেৱ! যমৰ অস্তিত্ব বিলুপ্ত নকৰিবা। যমৰ অস্তিত্ব বিলুপ্ত হ'লে, সীমাহীন অভাৱ-অনাটনে দেখা দিব।" তাৰ পাছত শিৱৰ অনুগ্ৰহত, পুনৰ্জন্ম পোৱা যেন হৈ, যম নিজলোকলৈ গুচি গ'ল।

মাৰ্কণ্ডেয়ই শিৱৰ বৰ লাভ কৰাৰ কথা শুনি মৃকণ্ড আৰু মৰুদ্বতিৰ মনত আনন্দই নধৰা হ'ল। তেওঁলোকে গৌতমী নৈৰ পাৰলৈ গৈ, তেওঁলোকৰ পুত্ৰ মাৰ্কণ্ডেয়ক ঘৰলৈ ওভোতাই লৈ গ'ল।

মাৰ্কণ্ডেয় বহুকাল জীয়াই আছিল। পিছে—কিছুমানে মাৰ্কণ্ডেয়তকৈয়ো অধিক কাল জীয়াই থকাও নোহোৱা নহয়।

তেতিয়া মাৰ্কণ্ডেয়ই তাৰ দুয়োখন হাতেৰে শিৱলিংগক মূৰৰ ওপৰত ধৰি আছিল। যমে কালপাশ দলিয়াই মাৰ্কণ্ডেয়ৰ ডিঙিত খোৰোচা গাঠি মাৰিবলৈ চেষ্টা কৰিলে। কিন্তু কালপাশ পৰিলগৈ শিৱলিংগৰ ওপৰত। আৰু লগে লগে সেই লিংগৰপৰা শিৱ ৰুদ্ৰমূৰ্তি ধৰি ওলাই পৰিল। শিৱৰ তৃতীয় নয়নৰপৰা জুই ওলাই থাকিল। শিৱই ত্ৰিশূল দাঙি যমলৈ আগবঢ়াৰ লগে লগে যমৰজাই দুয়োখন হাত যোৰ কৰি কৈ উঠিল, "হৰ হৰ মহাদেৱ, ৰক্ষা কৰাঁ, প্ৰভু!"

শিৱই তেওঁৰ অভয়-হস্ত মাৰ্কণ্ডেয়ৰ

*

ইন্দ্ৰদ্যুম্ন নামৰ ৰজা এগৰাকীয়ে প্ৰজা-পালকৰূপে যথেষ্ট সুনাম আৰ্জিছিল। এই ৰজাগৰাকীয়ে বহুকাল স্বৰ্গসুখ লাভ কৰিছিল। বহুকালৰ অন্তত স্বৰ্গৰ অধিবাসীসকলে ইন্দ্ৰদ্যুম্নক ক'লে, "তুমি বহুকাল ধৰি ইয়াত থকাৰ ফলত ভূলোকৰ

অধিবাসীসকলে তোমাক পাহৰিলেই চাগৈ। তুমি ভূলোকলৈ উভতি যোৱা।"

ভূলোকলৈ গৈ ইন্দ্ৰদ্যুম্নই তেওঁৰ নাম পাহৰি নোযোৱাসকলক বিচাৰি বিচাৰি মাৰ্কণ্ডেয়ৰ ওচৰলৈ গ'ল। মাৰ্কণ্ডেয়ই ইন্দ্ৰদ্যুম্নক ক'লে, "মই তোমাক চিনি নাপাওঁ। পিছে—মোতকৈয়ো বয়সস্থ হ'ল প্ৰবাৰকৰ্ণ নামৰ পেচক (ফেঁচা)। তাক সোধাগৈ তুমি।"

পেচক প্ৰবাৰকৰ্ণই ইন্দ্ৰদ্যুম্নক ক'লে, "মই তোমাক চিনি নাপাওঁ। পিছে—মোতকৈয়ো বৃদ্ধ হ'ল নালীকজংঘ। ব'লা, তাক সোধোঁগৈ।"

কিন্তু নালীকজংঘয়ো ইন্দ্ৰদ্যুম্নক চিনি নোপোৱাত, এওঁলোক আটায়ে মিলি আকূপাৰ নামৰ মহাবৃদ্ধ তথা মহাপ্ৰাজ্ঞ এক কাছৰ কাষ চাপিলে।

আকুপাৰে ইন্দ্ৰদ্যুম্নক ক'লে, "হয়, মই তোমাক চিনিব পাৰিছোঁ। তুমি বহুতো গো-দান কৰিছিলা। সেই গাভী-বিলাক য'ত চৰি ফুৰিছিল, মই সেই ঠাইতে আছোঁ।"

আকুপাৰৰ কথা শুনি দেৱতাসকলে বুজি পালে যে ইন্দ্ৰদ্যুম্নৰ নাম-খ্যাতি এতিয়াও ভূলোকত একেবাৰে নথকা নহয়। তেতিয়া দেৱতাসকলে ইন্দ্ৰদ্যুম্নক আদৰ-সাদৰ কৰি পুনৰ স্বৰ্গলৈ লৈ গ'ল।

*

ভীমাৱতী নামৰ দেশ এখনত সোমায়জী নামৰ এজন শিৱভক্ত আছিল। সোমায়জীৰ এটি পুত্ৰ আছিল, তাৰ নাম সিদ্ধৰাম। সিদ্ধৰাম যেতিয়া সাত বছৰীয়া, তেতিয়া তাৰ পিতৃ ঢুকাল; মাকে বহু কষ্টেৰে তুলি-তালি ডাঙৰ-দীঘল কৰিলে।

সিদ্ধৰামে এদিন তাৰ বন্ধুহঁতৰ সৈতে বনৰপৰা খৰিকাঠ আৰু পাত বুটলি আনিবলৈ গৈ এজোপা বৰগছৰ তলত বহি গল্প কৰি আছিল।

"অহা দীপান্বিতাৰ দিনা মোক বাইদেৱে

আতচবাজী দিব। ভিনিহীদেউ আহিব, ঘৰত কিমান যে ভাল ভাল খোৱাবস্তু বনাব!" এনেবোৰ কথা সেই ল'ৰাহঁতে কৈ আছিল।

তেতিয়া সিদ্ধৰামেও ক'লে, "ময়ো বাইদেউ আৰু ভিনিহীদেউক আনিবলৈ যাম। আমাৰ ঘৰতো দীপাৱলীৰ দিনা কিমান যে পিঠা-পনা হ'ব! বাইদেউ আৰু ভিনিহীদেউক নতুন পোছাক-পাতি দিম আমি।"

সিদ্ধৰামৰ কথাত অন্যান্য ল'ৰাই হো হোৱাই হাঁহি উঠিল আৰু ক'লে, "বোলোঁ ঐ—তোৰ বাইদেৱেই নাই দেখোন, ভিনিহীনো পাবি ক'ত? আমাৰ ওচৰতে যদি ইমান ধুমুৰ মিছা মাতিছ, আনক কি নক'বি তই অ'?"

"নহয়, মই মিছা কথা কোৱা নাই!" সিদ্ধৰামে ক'লে।

লগে লগে ল'ৰাহঁতে সুধিলে, "ক', তোৰ বাইদেউৰ নাম কি, ভিনিহীদেউৰ নাম কি, ক'ত থাকে, আৰু তেওঁৰ ল'ৰা-ছোৱালী কিমান ক'।"

সিদ্ধৰামে সিহঁতৰ প্ৰশ্নৰ উত্তৰ সঠিককৈ দিব নোৱাৰি কান্দি কান্দি ঘৰলৈ উভতি গ'ল। তাৰ মাকে তাক সুধিলে, "বোপা অ'—তোক কোনে মাৰিলে? নে তই ক'ৰবাত উজুটি খাই পৰিলেনে কি?"

তেতিয়া সিদ্ধৰামে তাৰ মাকক সকলো কথা কোৱাত মাকে ক'লে, "সিহঁতৰ কথাত দুখ নাপাবা, বোপা। তোমাৰ বাইদেউৰ নাম হ'ল ভ্ৰমৰাম্ব, আৰু তোমাৰ ভিনিহীদেউ থাকে শ্ৰীশৈল পৰ্বতৰ ওপৰত। তেওঁলোকৰ একো অভাৱ নাই। তেওঁলোকৰ দুটি ল'ৰা। এটিৰ নাম গণেশ, আনটিৰ নাম কাৰ্তিক। তোমাৰ ভিনিহীদেউৰ নাম হ'ল নৰেশ্বৰ। এই বিশ্বব্ৰহ্মাণ্ড তোমাৰ ভিনিহীদেউৰ আদেশ মতেহে চলে। তেওঁৰ ওপৰত আন কোনো নাই।"



জগতত ডাঙৰ কোন ?

জগতত ডাঙৰ কোন? এই কথাত এবাৰ এগৰাকী বেদজ্ঞ পণ্ডিত আৰু এজন হালোৱাৰ মাজত কথা-বাৰ্তা হৈছিল।

বেদজ্ঞ পণ্ডিতগৰাকীয়ে ক'লে, "বহু কাল ধৰি দেখি আহিছোঁ, হালোৱাহঁতে হাল বায়, ধান বোৱে, শস্য চপায়, খেতিত পানী দিয়ে। এইবোৰৰ বাহিৰে আন একোৰেই তোমালোকে নাজানা। ঠিক এজোপা বিৰিখৰদৰে ; ফল-ফুল দিয়ে, একো নাজানে বিৰিখে। তোমালোকৰ অৱস্থাও তেনেকুৱা। তোমালোক মানুহ যিমানখিনি, তাতকৈ বেছি বিৰিখহে।"

বেদজ্ঞৰ কথাৰ উত্তৰত হালোৱাই সবিনয়ে ক'লে, "কিন্তু দেউতা, সমাজখনৰ কামত বেদজ্ঞতকৈ হালোৱাৰহে প্ৰয়োজন অধিক। বেদ-ব্ৰাহ্মণ নহ'লেও চলিব, কিন্তু হালোৱা-জালোৱা নহ'লে কি খাই পাণ্ডিত্য প্ৰদৰ্শন কৰিব?"

এই কথাৰ উত্তৰত যে ঠিক কি কোৱা উচিত, পণ্ডিতে ঠাৱৰ কৰিব নোৱাৰি নিমাতে থকাত হালোৱায়েই পুনৰ ক'লে, "এটা সাধুকথা শুনক। এবাৰ শিল এচটাৰ লগত মাটিৰ তৰ্কবাদ লাগি পৰিল। শিলে ক'লে, "চোৱাঁ, মই কিমান টান, পৰিষ্কাৰ, আৰু ধুনীয়া। আৰু তুমি? তোমাক ছুলে হাত ধুব লাগে। তোমাৰ গাত যেতিয়া পানী পৰে—তেতিয়া একেবাৰে নৰকনি যেনহে হৈ পৰা।"

অহংকাৰী শিল কথাৰ উত্তৰত মাটিয়ে ক'লে, "তোমাক যে কিয়—পাষাণ বুলি কোৱা হয়, এতিয়াহে বুজিলোঁ। মই দেখাত ভাল নহওঁ, বা পানী পৰিলেই

মোৰ গা নৰকান যেন হৈ উঠে, মানিলোঁ। : কিন্তু মোৰ বুকুত ওপজা শস্য খায়েই প্ৰাণীজগত ৰক্ষা পৰে।"

হালোৰাৰ সাধুকথা শুনি বেদজ্ঞই ক'লে, "চোৱাঁ, মাটিৰ কথা মই অস্বীকাৰ কৰা নাই। পিছে—উভয় পক্ষয়েই চিন্তা কৰি কথা কোৱা উচিত। মাটিৰ প্ৰয়োজন আছে, শিলৰ প্ৰয়োজনো নথকা নহয়।"

এই কথা শুনি হালোৰাই হাঁহি মাৰি ক'লে, "আপুনি ভালেখিনিলৈকে পোন হ'ল। তথাপি—আন এটা সাধুকে শুনক।"

এঠাইত এজোপা বৰগছ আছিল। তাৰ কাষতেই আছিল এজোপা শাল। বৰগছজোপাই এদিন শালগছজোপাক ক'লে, "লাখ লাখ প্ৰাণী মোৰ ছাঁত বহি জুৰ পৰে, জিৰণি লয়। তোমাৰ দেখোন পাতেই নাই, ছাঁ দিবানো কেনেকৈ? তোমাৰপৰা এই জগতৰ প্ৰাণীকুলে সিমান একো উপকাৰ নাপায়।"

বৰৰ কথা শুনি শালে ক'লে, 'তোমাৰ এই অহংকাৰ অহেতুক। তোমাৰ ছাঁত প্ৰাণীসৰনো কিমানপৰ থাকে? কিন্তু মোৰ সহায়ত ঘৰ-দুৱাৰ সাজি মানুহে অনন্তকাল ধৰি সুখেৰে জীৱন কটাইছে। মোৰ ছাঁ ছাঁ নহয়, মোৰ এই ছাঁ হ'ল প্ৰাণীকুলৰ স্থায়ী আশ্ৰয়।' —শালগছৰ কথাত বৰগছ তলমূৰ হৈছিলনে নাই মই ক'ব নোৱাৰোঁ।"

তেতিয়া বেদজ্ঞই ক'লে, "তেনেহ'লে—তোমাক বৰগছ আৰু মোকেই শালগছ বুলি ক'ব পাৰি। শৰীৰ শীতল কৰিবলৈ তোমাৰ প্ৰয়োজন নথকা নহয়; কিন্তু মন-প্ৰাণত চিৰস্থায়ী শান্তিৰ বাবে মোকেই প্ৰয়োজন। তুমি হ'লা ফচলৰ মাটি; আৰু মই ৰক্ষণাবেক্ষণৰ শিল। সমাজত আমাৰ উভয়ৰে প্ৰয়োজন আছে। কি কোৱাঁ?" এই বুলি কৈ বেদজ্ঞ ৰ'ল, আৰু হালোৰা ভেবা লাগিল।



ছয় চভিয়া ছয় পুত

চুৰি হ'ল। ৰত্নগুপ্ত নামৰ ডাঙৰ ব্যৱসায়ী এজনৰ ঘৰত চুৰি হ'ল। দহহেজাৰ সোণৰ মুদ্ৰা চোৰে নিলে। ধন-সোণ থকা কোঠাটোৰ কাষৰীয়া কোঠাটোত চাৰিজন মানুহ আছিল, সিহঁতক তাতেই থাকিবলৈ দিয়া হৈছিল। ৰত্নগুপ্তই স্বাভাৱিকভাৱেই এই চাৰিজনলৈ সন্দেহৰ চকুৰে চালে।

ৰত্নগুপ্তৰ স্বভাৱ-চৰিত্ৰত আছিল এক বিনীত ভাৱ। কাকো তেওঁ কঠোৰ কথা ক'ব নোৱাৰিছিল। ব্যৱসায়ত সোমশাস্ত্ৰী আছিল তেওঁৰ একেবাৰে সৌহাতস্বৰূপ। সোমশাস্ত্ৰী আছিল অতি বুদ্ধিমান। ৰত্নগুপ্তই ঘটনাৰ কথা সোমশাস্ত্ৰীক খুলি-মেলি কোৱাৰ অন্তত পুনৰ ক'লে, "সাপো মৰক লাঠিও নাভাঙক—তাকেহে বিচাৰোঁ মই; কেৱল আচল চোৰটোকে বাছি-বিচাৰি ধৰা হওক—আন কাৰোবাক আমনি দিয়াৰ ইচ্ছা মোৰ সমূলি নাই।"

ৰত্নগুপ্তৰ কথামতে সোমশাস্ত্ৰীয়ে সেই চাৰিজনক মতাই অনাই ক'লে, "শুনা, তোমালোকৰ কাষৰীয়া কোঠাটোৰপৰা দহহেজাৰ সোণৰ মুদ্ৰা চুৰি হ'ল। আজি গধূলিৰ আগতেই এই মুদ্ৰাখিনি পুনৰ তাতে থৈ অহা হয় যেন। নহ'লে ৰত্নগুপ্তই বাধ্যত পৰি গোচৰ তৰিব।"

এই চাৰিজন কৰ্মচাৰীৰ নাম আছিল ভূষণ, ধৰ্মনাথ, সোমনাথ আৰু ৰামনাথ। যি কি নহওক—সেইদিনা গধূলিৰ আগতে তো দূৰৰে কথা, আনকি পাছদিনাও কোনেও মুদ্ৰাখিনি থৈ নগ'ল।

তেতিয়া সোমশাস্ত্ৰীয়ে সেই চাৰিজনক বেলেগে বেলেগে মতাই অনালে। প্ৰথমেই

'বসুন্ধৰা'



ধৰ্মনাথক বিদায় দি এইবাৰ ভূষণক মতাই অনোৱা হ'ল। ধৰ্মনাথক কোৱা কথাবোৰ ভূষণকো কোৱা হ'ল। কথাবোৰ শুনি ভূষণে ধাৰৰ নল কঁপাদি কঁপি কঁপি ক'লে, "বাবু, আপুনিয়েই মোৰ একমাত্ৰ ভৰসা। আপুনি বিনে মোক কোনেও বচাব নোৱাৰে। কেনেকৈ কি হ'ল, মই একোকে ক'ব নোৱাৰোঁ, বাবু। বাবু, মোৰ কথা আপুনি বিশ্বাস কৰক।" এই বুলি কৈ, ভূষণে সোমশাস্ত্ৰীৰ ভৰি দুখনত সাৰটি ধৰিলে।

"তুমি যদি দোষ কৰা নাই, ভয় কিহলৈ? পিছে—তোমাৰ বিৰুদ্ধে প্ৰমাণ অলপ আছে, সেইবোৰ প্ৰমাণ কালিলৈ তোমাক ক'ম।" সোমশাস্ত্ৰীয়ে ভূষণক বিদায় দি ৰামনাথক মতাই অনায়ো একেইখিনি কথা ক'লে।

সোমশাস্ত্ৰী মুখৰপৰা 'চোৰ' শব্দটো ওলোৱামাত্ৰেই খঙতে গোৰগোৰাই উঠি ৰামনাথে ক'লে, "চাওক, অলপ ভাবি-গুণি কথা কোৱা ভাল। আপোনালোক ধনিক, আৰু আমি দুখীয়া, ঠিক। কিন্তু দুখীয়া হ'লোঁ বুলিয়েই যেইসেই কথা মুশুনো, নামানো—ভাল পাওক বা বেয়া পাওক কথাযাৰ কৈ থওঁ।"

"কিন্তু তোমাৰ কথা শুনি ভয় খোৱা

ধৰ্মনাথ আহিল। সোমশাস্ত্ৰীয়ে ধৰ্মনাথক ক'লে, "শুনা, তুমি যে সোণৰ মুদ্ৰাখিনি চুৰি কৰিছা, তাৰ কিছুমান প্ৰমাণ মোৰ হাতত মজুত আছে। কিন্তু তুমি যদি মুদ্ৰাখিনি ওভোতাই দিয়া, তোমাক এই চুৰিৰ বাবে ক্ষমা কৰা হ'ব।"

সোমশাস্ত্ৰীৰ এই কথা শুনি ধৰ্মনাথ হতবাক। পাছত সি ক'লে, "যোৱা দহ বছৰ ধৰি ইয়াত কাম কৰি আছোঁ। কোনেও কেতিয়াও এনে বদনাম দিব বুলি ভবাই নাই। বিশ্বাসঘাতক হোৱাতকৈ মৰাও ভাল।" এই কথাবোৰ ধৰ্মনাথে কন্দনামুৱা হৈ সোমশাস্ত্ৰীক ক'লে।

ভকত ম৯ো নহওঁ। কাষৰীয়া কোঠাটোৰ পৰা দহহেজাৰ সোণৰ মুদ্ৰা চুৰি হৈ গ'ল, আৰু তোমালোক তাত নাকত মিঠা তেল সানি শুই থাকিলা—তাকো বিশ্বাস কৰিব লাগিবনে? একোৰেই ক'ব নোৱাৰা বুলি ভাবিব লাগিবনে? তোমাৰ বিৰুদ্ধে যিবোৰ প্ৰমাণ আছে, কালিলৈ ক'ম। এতিয়া যোৱা।"

সদৌ শেষত সোমালহি সোমনাথ। তাকো একেখিনি কথা কোৱা হ'ল।" সোমশাস্ত্ৰীৰ কথাৰ উত্তৰত সোমনাথে বিৰক্তি প্ৰকাশ কৰি ক'লে, "আমি ব্যৱসায়ৰ কাম কৰিবলৈ আহিছোঁ, ঘৰৰ ধন-সোণ পৰ দিয়াৰ দায়িত্ব তো আমাৰ নহয়। গোটেই দিন ধৰি কাম-বন কৰি ৰাতি ভাগৰি-জুগৰি টোপনিত লাল-কাল হৈ পৰোঁ যদি—আমিনো কি কৰিম? যদি ধন-সোণ পৰ দিব লাগে—সেই কামকে কৰিবলৈ দিয়ক। তেতিয়া দিনৰ ভাগত টোপনিয়াই ৰাতিৰ পৰতে সাৰে থাকিম। তেতিয়া চুৰি হয় যদি দায়িত্ব আমাৰ।" সোমশাস্ত্ৰীয়ে সোমনাথকো বিদায় দি, ৰত্নগুপ্তৰ ওচৰলৈ গ'ল।

সোমশাস্ত্ৰীয়ে ৰত্নগুপ্তক ক'লে, "চাৰি-জনে একেলগ হৈ চুৰি কৰিলে বুলি মই নাভাবোঁ। ধৰ্মনাথ আৰু ৰামনাথকো মই একেবাৰে নিৰ্দোষী যেন পাইছোঁ। ভূষণকহে মই সন্দেহ কৰিছোঁ। সোমনাথ সম্বন্ধেও একেবাৰে নিঃসন্দেহ হ'ব পৰা নাই। সিহঁতক আৰু অলপ টুকুৰিয়াই চাব লাগিব। ভূষণ আৰু সোমনাথে একেলগ হৈয়ো কামটো কৰাৰ সম্ভাৱনা উৰাই দিব নোৱাৰোঁ।"

তাৰ পাছত, সোমশাস্ত্ৰীৰ পৰামৰ্শ মতে ৰত্নগুপ্তই সেই চাৰিজনৰ থকাৰ বাবে চাৰিটা কোঠা সাজি দিলে। সিহঁতে সিহঁতৰ পা-পৰিয়ালৰে সৈতে থাকিব তাত; পিছে—ৰাতিৰ পৰতে আগৰ দৰেই সেই কোঠাত শুব লাগিব চাৰিওজনে।

তাৰ পাছত এদিন ভূষণ আৰু সোমনাথৰ কোঠাত অনুসন্ধান কৰা হ'ল; কিন্তু একো পোৱা নগ'ল। সোমশাস্ত্রীয়ে ৰত্নগুপ্তক ক'লে, "মোৰ মতে সোমনাথকো নির্দোষী বুলি ক'ব পাৰি; কেবল ভূষণকহে সন্দেহ হৈছে। হয় সি নিজেই চুৰি কৰিলে, নহ'লেও কোনে চুৰি কৰিলে— সেই কথাটো সি জানে।"

"কিন্তু ভূষণক কেনেকৈ কি কৰিলে ধৰিব পৰা যাব?" ৰত্নগুপ্তই সুধিলে।

"তাক ছাঁৰ দৰে অনুসৰণ কৰি থাকিলে নিশ্চয় ধৰা পৰিব সি।" সোমশাস্ত্রীয়ে ক'লে। ভূষণক অনুসৰণ কৰিবলৈ ৰত্নগুপ্তই এজন মানুহ নিযুক্ত কৰিলে।

কেইদিনমানৰ পাছত ভূষণ নগৰলৈ গ'ল। তাত সি পাটৰ শাড়ী দৰাই থাকোঁতে হঠাৎ সোমশাস্ত্রী তাত উপস্থিত হ'লগৈ, আৰু ভূষণৰ চোলাৰ জেপৰপৰা এশ সোণৰ মুদ্রা পোৱা হ'ল।

"ইমানবোৰ সোণৰ মুদ্রা তুমি ক'ত পালা?" সোমশাস্ত্রীয়ে এইকথা সোধাত ভূষণ বেঙে মূতা গৰুৰ দৰে হৈ পৰিল। তেতিয়া সোমশাস্ত্রীয়ে ভূষণক ৰত্নগুপ্তৰ ওচৰলৈ লৈ গ'ল।

ভূষণে ভয়ৰ কোবত ঘামি লুতুৰি-পুতৰি হৈ ৰত্নগুপ্তক ক'লে, "মই—মই চুৰি কৰা নাছিলোঁ।"

"কোনে চুৰি কৰিলে, কোৱাঁ।" ৰত্নগুপ্তই ভূষণক সুধিলে।

"মই যদি কওঁ—ধনগুপ্তই মোক মাৰি পেলাব।" ভূষণে কন্দনামুৱা হৈ ক'লে।

ধনগুপ্তৰ নামটো কোৱাৰ লগে লগে ৰত্নগুপ্ত উচপ খাই উঠিল। কিয়নো— ধনগুপ্ত আছিল ৰত্নগুপ্তৰ পৰিবাৰৰ ভায়েক। সি কোনো কাম-বন নকৰাকৈ টাংগুটি বাই ফুৰিছিল বুলি ৰত্নগুপ্তৰ শহুৰেকে ধনগুপ্তক ইয়ালৈ পঠিয়াইছিল থকা-মেলাৰ বাবে।

ৰত্নগুপ্তই ভূষণক ক্ষমা কৰিব বুলি কথা

দিয়াত ভূষণে ক'লে, "আপোনাৰ ধন-সোণ যে আমাৰ শোৱনি কোঠাৰ কাষৰীয়া কোঠাটোতে থাকে—আমি নজনা নহয়। এই কথা জনা বাবেইহে আমি ৰাতি এজনকৈ সাৰে থাকি—পাল পাতি টোপনিয়াইছিলোঁ। সিদিনা ৰাতি ধনগুপ্তই হাতত সাৰে ভৰিত সাৰে চুৰি কৰি ওলাই যাওঁতে মোৰ হাতত ধৰা পৰিছিল। সি মোক দুশ মুদ্রা দিছিল। আৰু সেই মুদ্রাখিনি মই ধনগুপ্তৰ কোঠাতে থৈ দিছিলোঁ।"

ৰত্নগুপ্ত তৎক্ষণাৎ ধনগুপ্তৰ কোঠাত সোমালগৈ, আৰু তাত আঠহেজাৰ সোণৰ মুদ্রা পালে। ৰত্নগুপ্তৰ প্রশ্নৰ উত্তৰত ধনগুপ্তই অপৰাধৰ কথা স্বীকাৰ কৰিলে, আৰু সি লাজতে তলমূৰ হৈ তেতিয়াই তাৰ কাপোৰ-কানিখিনি লৈ নিজৰ গাঁৱলৈ উভতি গ'ল।

পাছত ৰত্নগুপ্তই সোমশাস্ত্রীক সুধিলে, "তোমাৰ চেষ্টাতহে মই সোণৰ মুদ্রাখিনি পালোঁ। কিন্তু—তুমি ভূষণক কিয় আৰু কেনেকৈ সন্দেহ কৰিছিলা ক'বানে?"

সোমশাস্ত্রীয়ে হাঁহি মাৰি ক'লে, "কথা একেবাৰে জলৰং। মানুহৰ ছয় চৰিত্রইহে ছয় পুত। তাৰে সহায়ত মই চোৰ ধৰিলোঁ। যিজনে অপৰাধ নকৰে সেইজনক তেনেকুৱা কথা ক'লে, দুখ পায়; ধৰ্মনাথে দুখ পাইছিল। ৰামনাথৰ আত্মসন্মান বোধ অতি প্রবল; সেয়েহে সি তীব্র প্রতিবাদ কৰিছিল।

সোমনাথেও যথেষ্ট প্রতিবাদ কৰিছিল, যুক্তিপূৰ্ণ কথা কৈছিল। কিন্তু ভূষণে ভয় খাই বিবুদ্ধি হৈ পৰা দেখিহে তাক মই সহজেই চোৰ হিচাপে বা, নহ'লেও চোৰৰ লগৰটো হিচাপে সন্দেহ কৰিছিলোঁ। সিও নির্দোষ হোৱাহেঁতেন তাৰ নির্দোষিতাৰ জুনা গাবলগা নহ'লহেঁতেন, তাক বচাবলৈ মোৰ ভৰিত ধৰিবলগা নহ'লহেঁতেন।"



আগৰ কাম

বৃষভেন্দ্ৰ নামেৰে এজন চিকিৎসক আছিল। এনিশা চুবুৰীয়া গাঁৱলৈ তেওঁ যাবলগা হ'ল বেমাৰী চাবলৈ। বেমাৰীক বৃষভেন্দ্ৰই ভুল দৰৱ দিয়াৰ ফলত বেমাৰী মানুহজন তৎক্ষণাৎ ঢুকাল। লগে লগে বেমাৰীৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱইতে বৃষভেন্দ্ৰক এজোপা গছৰ লগত কটকটীয়াকৈ বান্ধি থৈ সঁকীয়াই ক'লে, "এতিয়া বান্ধি থ'লোঁ, কালিলৈ তোমাক উচিত শিক্ষা দিয়া হ'ব।" এই বুলি কৈ, সিঁহত গুচি গ'ল।

মাজনিশা বহু কষ্টেৰে নিজক এৰুৱাই লৈ বৃষভেন্দ্ৰ বেজ পলাল। বাটত এখন নৈ পৰিল। নৈখন সাঁতুৰি পাৰ হৈ ঢলপুৰাতে ঘৰ পাই, তেওঁৰ পুতেকে মনপুতি চিকিৎসাশাস্ত্ৰ অধ্যয়ন কৰি থকা দেখা পালে।

বৃষভেন্দ্ৰই পুতেকক ক'লে, "বোপা, এইবোৰ গ্ৰন্থ মনপুতি পঢ়াৰ আগতে পুখুৰীৰ পানীত সাঁতোৰ শিকি আহগৈ যা। মোৰ দৰে বেজ হোৱাৰ মন আছে যদি, আগতে সাঁতোৰ শিকি ল'। আগৰ কাম আগতে কৰ, নহ'লে পাছত বিপদ হ'ব।"



ধন্দ আৰু ফন্দ

দেৱগ্ৰামত বীৰ দাস নামৰ এজন ধনী মানুহ আছিল। বীৰদাসে সুতত টকা খুৰাইছিল। বীৰদাসে ধৰুৱাসকলৰ-পৰা ন্যায্য সুত লৈছিল। গাঁৱৰ মানুহে বিপদৰ দিনত বীৰদাসৰপৰা টকা ধাৰলৈ নিছিল, আৰু তেওঁলোকৰ সুবিধামতে সুতে-মূলে পৰিশোধ কৰিছিল।

•

দেৰগ্ৰামৰ চুবুৰীয়া বনগ্ৰামত ভূষণ নামৰ এজন মহাজন আছিল। ভূষণৰ আছিল, তাৰ উপৰিপুৰুষসকলে এৰি থৈ যোৱা অগাধ সা-সম্পত্তি। কিন্তু যিমানেই নাথাকক, ভূষণক সেইখিনিৰে নোজোৰে; সদায় তাৰ সা-সম্পদ বঢ়াবলৈ মন। বিপদ-বিপাঙত পৰা লোকক টকা ধাৰ দি পাছত কুঁহিয়াৰ পেৰাদি পেৰি সুতে-মূলে আদায়-উচুল কৰিছিল সি। তাৰ সুতৰ হাৰ আছিল ইমান বেছি যে কোনেও তাৰ পাওনা পৰিশোধ কৰিবলৈ আগ্ৰহী হোৱা নাছিল। এই টকা আদায়ৰ বাবে ভূষণে কেইজনমানক আদায়কাৰীৰ কামত মকৰল কৰিবলগীয়া হৈছিল।

*

ভূষণে বীৰদাসৰ কথা আৰ-তাৰ মুখে শুনি এদিন বীৰদাসৰ ওচৰলৈ গ'ল, আৰু ইকথা-সিকথাৰ পাছত ক'লে, "আপুনি বাৰু ইমনি সহজে সুত-মূল আদায়-উচুল কৰে কেনেকৈ। বিবাদ-বিসম্বাদ নোহোৱাকৈ এইদৰে টকা আদায় কৰাৰ কায়দা-কিটিপ ফন্দ-ধন্দ কি ক'বনে?"

বীৰদাসে ক'লে, "মোৰ টকা আদায় কৰাৰ কায়দাও নাই কিটিপো নাই।

'অগ্নিশৰ্মা'

মানুহে তেওঁলোকৰ প্ৰয়োজনত বা টামে মস্কিলে পৰি নিয়ে, আকৌ নিজে নিজেই সুতে-মূলে ঘূৰাই দিয়ে।"

"কিছুমানে নিশ্চয় দিবলৈ নিবিচাৰে। সিহঁতৰপৰা আপুনি কেনেকে, আদায় কৰে কওকচোন ?" ভূষণে ভেড়া-খুঁটি পাতিলে।

"মানুহজন যেনেকুৱাই নহওক, মোৰ পাওনা টকা ঠিক আদায় হৈ যায়।" বীৰদাসে ভূষণক ক'লে।

ভূষণে অলপপৰলৈ ভাবি লৈ ক'লে, "মই আপোনাৰপৰা দুশ টকা ধাৰলৈ ল'ম। অহা ছমাহৰ ভিতৰত পাৰে যদি আদায় কৰকেইচোন। যদি পাৰে, আপোনাৰ ৰচৰত মই এহেজাৰ টকা হাৰি; নহ'লে মানে—আপুনি যদি ছমাহৰ ভিতৰত মোৰপৰা আদায় কৰিব নোৱাৰে আপুনি হেজাৰ টকা মোক দিব লাগিব।"

বীৰদাসে মিচিকীয়াই হাঁহি মাৰি ক'লে, "আপোনাৰ সম্পৰ্কে মই বহুতো কথা শুনিছোঁ। আপুনি মোৰ অচিনাকি নহয়। পিছে—আন গাঁৱৰ মানুহক টকা ধাৰলৈ দিওঁতে কিবাকিবি বন্ধকী হিচাপে লওঁ মই।"

"ঠিক আছে। পিছে—চৰ্ত হ'ল—যেতিয়াই আপোনাৰ টকা ঘূৰাই পাব, সেই মুহূৰ্ততে বন্ধকত থোৱা মোৰ বস্তুও ঘূৰাই দিব লাগিব।" এই বুলি কৈ, ভূষণে তাৰ ডিঙিত থকা হাৰডাল বীৰদাসক দিলে আৰু পুনৰ ক'লে, "আপুনি ছমাহৰ ভিতৰত মোৰপৰা টকা আদায় কৰিব। যদি আদায় কৰিব নোৱাৰে, এই অলংকাৰ কিন্তু বেচিব নোৱাৰিব।"

ভূষণৰ প্ৰস্তাৱত সন্মত হৈ বীৰদাসে তাক দুশ টকা ধাৰ হিচাপে দিলে।

*

আৰু ছমাহ পাৰ হৈ যোৱাৰ অন্ততো বীৰদাসে ভূষণলৈ কোনো খবৰ নপঠালে টকা বিচাৰি। ছমাহৰ অন্তত ভূষণে

ভাবিলে যে সি নিশ্চয় এই খেলত জিকি গ'ল। সি তেতিয়া ৰংমনে বীৰদাসৰ ওচৰলৈ গ'ল।

ভূষণক দেখা পায়েই বীৰদাসে সুধিলে, "এহেজাৰ টকা লৈ আহিলনে?"

ভূষণে অবাক মানি ক'লে, "মই কিয় আনিম? আপুনি ছমাহৰ ভিতৰত মোৰপৰা টকা দুশ আদায় কৰিব নোৱাৰিলে। আপুনিহে হাৰি গ'ল।"

বীৰদাসে হাঁহি মাৰি ক'লে, "কি কয়হে ডাঙৰীয়া, মোৰ পাওনা টকা দেখোন কেতিয়াবাই আদায় কৰিলোঁ।"

বীৰদাসৰ কথা শুনি ভূষণৰ খং উঠিল। সি ক'লে, "একদম 'গোকাট মিছা কথা। আপুনি মোৰপৰা টকা আদায় কৰাৰ প্ৰমাণ কি? এহেজাৰ টকা দিয়াৰ ভয়তে আপুনি বেবেৰিবাং বকিছে।"

"মিছা কথাৰ যে ঠেং চুটি সকলোটিয়েই জানে; ময়ো নজনা নহওঁ কথাটো।" এই বুলি কৈ বীৰদাসে তেওঁৰ কাম-কৰা মানুহ হৰকান্তক মাতিলে।

হৰকান্তলৈ আঙুলিয়াই বীৰদাসে ভূষণক ক'লে, এই মানুহজনক বাৰু চিনি পাইছেনে?"

তেতিয়া ভূষণ ভিজা মেকুৰী যেন হৈ পৰিল। আচলতে ঘটনা আছিল এনেকুৱাঃ

চাৰিমাহৰ আগতে এনিশা ধাৰাসাৰ বৰষুণ দি থাকোঁতে ভূষণ বাৰাণ্ডাত ওলাই আহিল, আৰু ঠিক তেতিয়াই বৰষুণত তিতি-বুৰি মানুহ এজন তাৰ আগত ৰ'লহি। মানুহজনে ভূষণক ক'লে, "দেউতা, আপুনি মোক বচাওক। মোৰ পৰিবাৰ মৰণপাটীত। তাইক এতিয়াই ভুৱননগৰ অশ্বিনী কবিৰাজৰ ওচৰলৈ লৈ নগ'লে তাইক মই আৰু বচাব নোৱাৰিম। আপুনি দেউতা—মোক দুশ টকা ধাৰলৈ মোক বচাক দিয়ক, দেউতা।"

ভূষণে মানুহজনলৈ পুতৌসনা দৃষ্টিৰে চাই ক'লে, "তুমি মোক বৰ বিপদত

পেলালাহে। তোমাক মই চিনি নাপাওঁ। হঠাৎ ইমান টকা ধাৰলৈ দিওঁ কেনেকৈ? কিবা বস্তু-টস্তু বন্ধকত থ'বলৈ লৈ আহিছানে? নহ'লে—"

"হয় দেউতা, লৈ আহিছোঁ।" এই বুলি কৈ, মানুহজনে গহনা এপদ উলিয়াই আনি ক'লে, "মোৰ পৰিবাৰৰ গহনা। এয়া লওক, আৰু টকাখিনি মোক তুৰন্তে দিয়ক, দেউতা।"

ভূষণে গহনাপদ লৈ তৎক্ষণাৎ মানুহ-জনক ত্ৰিশ টকা দিলে।

আৰু এইদৰে বীৰদাসে ভূষণৰপৰা তেওঁৰ পাওনা টকা আদায় কৰিলে।

ভূষণে তীব্ৰকণ্ঠেৰে ক'লে, "আপুনি মোক প্ৰতাৰণাহে কৰিলে।"

কিয় প্ৰতাৰণা কৰিম? নাই কৰা। বৰযুণৰ ৰাতি মোৰ কাম কৰা মানুহ হৰকান্তই আপোনাক যি গহনা এপদ দিছিল, সেই গহনা আপুনি মোৰ ওচৰত থোৱা গহনা এপদৰ সমান ওজনৰ।" বীৰদাসে ক'লে।

ভূষণে ক'লে, "মই আপোনাক এহেজাৰ টকা নিদিওঁ। আপুনি কেনেকৈ আদায় কৰে, চাম মই।"

বীৰদাসে হো হোৱাই হাঁহি মাৰি ক'লে, "শুনক, আপুনি যে মোক ফান্দত পেলাব—সেই কথা আগতেই ভাবি থৈছিলোঁ। আপুনি মোৰ ওচৰত বন্ধকত থোৱা গহনাপদৰ দাম আছিল প্ৰায় দুহেজাৰ টকা। মোৰ ওচৰত এতিয়াও আছে। হৰকান্তই আপোনাক দিয়া গহনাপদৰ দাম এহেজাৰ টকা। গতিকে সেই গহনাপদ মোক এতিয়াই ঘূৰাই দিয়ক আৰু লগতে এহেজাৰ টকা নগদে দিয়ক। তেতিয়া আপুনি আপোনাৰ সেই হাৰডাল ঘূৰাই পাব।"

শুনি ভূষণৰ মুখ টেমী যেন হ'ল। সি তৎক্ষণাৎ ঘৰলৈ গৈ, সেই গহনাপদ আৰু এহেজাৰ টকা বীৰদাসক দিলে

আৰু নিজৰ হাৰডাল লৈ ঘৰমুৰা হ'ল।

কিন্তু দুখোজমান আগুৱাই গৈয়েই পুনৰ উভতি আহি মহাজন ভূষণে বীৰদাসক ক'লে, "হেৰি, আপুনি কিন্তু চৰ্ত অনুসাৰে কাম কৰা নাই। আপুনি কথাৰ হেৰফেৰ কৰিলে।"

বীৰদাসে হাঁহি মাৰি ক'লে, "ভূষণবাবু, আপুনি যে অত্যন্ত বুদ্ধিমান—মই জানিছিলোঁ। আপোনাৰ নিচিনা চালাক-চতুৰ লোকৰপৰা টকা আদায় কৰোঁতে অলপ জুতি-বুদ্ধি খটুৱাব লাগে, নহ'লে কেনেকৈ আদায়-উচুল হ'ব? আৰু পাওনা টকা-বাজীৰ টকা—দুয়োটা আদায় কৰিবলৈ হ'লে আপোনাৰ মগজু যে অলপ ঘোলা নকৰিলে নহ'ব—তাকো জানিছিলোঁ। মই প্ৰকৃততে কিন্তু কথাৰ হেৰফেৰ কৰা নাছিলোঁ। কৰিমেই বা কেনেকৈ? মোৰ নিচিনা ছাৰলে আপোনাৰ দৰে মাৰলক বান্ধিব পাৰোঁনে?"

"ঔফ্! টকা আদায় কৰাৰ ইমান কল-কৌশল কিটিপ-কাটাপো যে আপুনি জানে! আপোনাৰপৰা শিকিবলগীয়া বহুতো কিবাকিবি আছে দিয়ক।" এই বুলি কৈ, ভূষণে খোজ ল'লে।

বীৰদাসে খৰকৈ খোজ লোৱা ভূষণক ৰখাই ক'লে, "শুনক হেৰি, শুনি যাওকেই তেন্তে। ধাৰৰ টকা আদায় কৰাৰ কিটিপ মাত্ৰ এটা, সুতৰ ওপৰত পচলা কুটিব নালাগে, কথা ইমানেই। সুতৰ নামত অত্যাচাৰ কৰি থাকিলে সুতো নাপাব, মূলো হেৰাব; আৰু সুত ন্যায্য হ'লে ধৰুৱাই টকা দিব, বিপদত উপকাৰ পোৱাৰ বাবে কৃতজ্ঞো থাকিব।"

এই ঘটনাৰ পাছৰপৰা ভূষণেও বীৰদাসৰ দৰে 'কম সুত, অধিক লাভ' ভিত্তিত টকা খটুৱাই বিপদত পৰা লোকৰ উপকাৰ কৰিছিল, আৰু লগতে উপকাৰী লোক হিচাপে প্ৰশংসালাভ কৰিছিল।

দিনতে আন্ধাৰ

প্ৰাচীনকালত এগৰাকী বৃদ্ধ ৰজাই ভ'গৱৎ গীতাক পদ্যলৈ ৰূপান্তৰিত কৰি নিজক মস্ত ডাঙৰ জ্ঞানী কবি বুলি ভাবিলে। তেওঁ নিজক সবাতোকৈ ডাঙৰ কবি বুলি ভাবি বিষ্ণুশৰ্মাক মতাই অনালে আৰু ক'লে, "সমগ্ৰ দেশত যদি মোৰ সমকক্ষ কবি ক'ৰবাত আছে, মোৰ ওচৰলৈ পঠাই দিব "

বিষ্ণুশৰ্মাই এজন যুৱকক ৰজাৰ ওচৰলৈ পঠিয়ালে। ৰজাই যুৱকক ক'লে, "তুমি দেখোন সৰু ল'ৰা এটা। মই যে ইমান বুঢ়া হ'লোঁ—ময়েই কেতিয়াবা কত কথা নুবুজা হওঁ। তুমি উভতি যোৱা, আৰু তোমাৰ গুৰুক পঠিয়াই দিয়াগৈ।" ৰজাই অতি অৱহেলাৰে যুৱকক ক'লে।

কিছুদিনৰ অন্তত বিষ্ণুশৰ্মা ৰজাৰ ওচৰত আহিল। ৰজাই বিষ্ণুশৰ্মাক সেই যুৱকৰ কথা কোৱাত বিষ্ণুশৰ্মাই বিনম্ৰভাৱে ৰজাক ক'লে, "মহাৰাজ, আপুনি যিখন গীতা টীকাৰে সৈতে পঢ়ি অনুপ্ৰেৰণা পাইছিল, সেই টীকা-টিপ্পনি সম্বলিত বিৰাট ভাগৱত গীতাৰ ৰচয়িতা কিন্তু সেই যুৱক।"

এই কথা শুনি ৰজাই দিনতে আন্ধাৰ দেখা যেন হ'ল। ৰজাই অবাক হৈ বিষ্ণুশৰ্মাক ক'লে, "তেনেহ'লে—যুৱকে সেই কথাটো মোক নক'লে কিয় ? তেওঁ যে ইমান গুণী ব্যক্তি, মোক কোৱা উচিত আছিল।"

বিষ্ণুশৰ্মাই ক'লে, "প্ৰকৃত কবি, বা জ্ঞানী-গুণী ব্যক্তিয়ে কদাপি নিজৰ কথা নিজে নকয়, মহাৰাজ!"

বিষ্ণুশৰ্মাৰ এই কথাই ৰজাৰ অহংকাৰ তৎক্ষণাৎ লুপ্ত কৰিলে।



বিচিত্ৰ জলচৰ

সমুদ্ৰগৰ্ভৰ প্ৰবালশিলাক আশ্ৰয় কৰি বিভিন্ন ধৰণৰ মাছ থাকে আৰু বহুধৰণৰ বিষাক্ত জলচৰ প্ৰাণীও থাকে তাত। এনেবোৰ জলচৰৰ অন্যতম হ'ল ছিঅ'নিম'নি। ইহঁত দেখাত ৰং-বিৰঙী ফুলৰ দৰে; সেয়েহে কোনো কোনো ঠাইত ইয়াক বতাহৰ ফুল নামেৰেও অভিহিত কৰা হয়। দেখাত ফুল হ'লে কি হ'ব—ইহঁত বিশেষকৈ মাছ আৰু অন্যান্য প্ৰাণীৰ পক্ষে অতি বিপদজনক। ইহঁতৰ মুখৰপৰা বেজিৰ দৰে দীঘলীয়া গোঁফ ওলাল, আৰু এই বেজিহেন গোঁফৰ ভিতৰতে বিষ থাকে। এই গোঁফৰ, বা অন্য আকৰ্ষণত কোনো মাছ বা প্ৰাণীয়ে ইহঁতৰ কাষ চপা মাত্ৰেই ছিঅ'নিম'নিয়ে তাৰ গোঁফেৰে সেই মাছ, বা প্ৰাণীক চুই দিয়ে, আৰু মুহূৰ্ততে বিষৰ প্ৰভাৱত সেই মাছ বা প্ৰাণী মৰি যায়। তেতিয়া সেই মৃত মাছ বা প্ৰাণীটোক ছিঅ'নিম'নিয়ে ৰংমনে গিলি পেলায়। পিছে—ইহঁতে এই বিষেৰে সাগৰতলীৰ সকলো প্ৰাণীক বা মাছকো মাৰিব নোৱাৰে।

ছিঅ'নিম'নি সাধাৰণতে বিছ চেন্টিমিটাৰতকৈ দীঘল নহয়। কিন্তু অষ্টেলিয়াৰ ছিঅ'নিম'নি এক মিটাৰলৈকো দীঘল হয়। একো একোচটা প্ৰবালশিলৰ আঁৰত ইহঁতে ত্ৰিছ বছৰলৈ থাকে। গৱেষণাগাৰত ইহঁতক আশী বছৰলৈকো জীয়াই ৰাখিব পৰা হৈছে। জীৱবিজ্ঞানীসকলৰ মতে, কিছুমান ছিঅ'নিম'নি তিনিশ বছৰলৈকো জীয়াই থাকে। সেই কালৰপৰা বিচাৰ কৰি চালে জলচৰহঁতৰ মাজত ছিঅ'নিম'নিয়েই আটাইতকৈ বেছি দিন জীয়াই থাকে।

সমুদ্ৰৰ গভীৰত থকা প্ৰবালশিলাৰ মাজত ডাঙৰ ডাঙৰ মিছামাছ, কেঁকোৰা, বিৰাটাকাৰ শামুক আদি বহুবিধ প্ৰাণী থাকে। হাৰ্মিট ক্ৰ্যাব নামৰ এবিধ প্ৰাণীয়ে শামুকৰ খোলাত আশ্ৰয় লৈ শত্ৰুৰ কবলৰপৰা আত্মৰক্ষা কৰে।

সমুদ্ৰৰ তলত আকাশৰ তৰাৰ দৰে এবিধ মাছ আছে। ইহঁতক ষ্টাৰফিছ বুলি কোৱা হয়। ষ্টাৰ ফিছে শামুক চিকাৰ কৰি শামুকৰ ভিতৰত সোমাই, খোলাটো বাদে বাকী-খিনি চাঁচি-চুৰুকি খায়।

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে!
सुपर
रिन
सफ़ेदी की चमकार
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক— আৰু বেছি
আন যিকোনো ডিটাৰজেন্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা!
হিন্দুস্তান লিভাৰৰ উৎকৃষ্ট উৎপাদন
LINTAS RIN 97 2016 AS

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৬ চনৰ অগাস্ট সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৬ চনৰ জুন মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ এপ্ৰিল মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : পোহৰৰ পম খেদি

দ্বিতীয় ফটো : এন্ধাৰৰ আঁৰ ভেদি

পুৰস্কাৰ পাওঁতা : অনুৰূপা শৰ্মা, বৰিপাৰা, আজাৰা।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানন'ৰ উত্তৰ]

১। মস্কো ২। পিৰামিড ৩। লিঅ'নাৰ্দ'ৰ ভিঞ্চি অংকিত ম'নালিছা চিত্ৰ

৪। জাপান ৫। আমেৰিকা।

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

Double Offer From NP

1

Free! Colourful dry transfers with every pack of

NP DUBBLE BUBBLE GUM

DEMAND FROM THE DEALER:
A colourful dry transfer picture of an attractive cartoon character

HOW TO USE THE DRY TRANSFER
* No ironing

1. Remove the paper backing. Keep the transfer face upwards pressed flat on any surface you please.
2. Rub quickly and lightly, starting from the top and working your way down.
3. Pull the sheet back. Lo! and behold! The picture is transferred.

2

Take a big breath and blow it!

HURRY!
LUCKY
OFFER
OPEN FOR
LIMITED
PERIOD

QUICK!
Collect your balloon on the spot from the dealer in exchange of Dubbleyum New Lucky Coupon.

Dattaram/NP/2-86

"...া, আৰু এটা পেক ৰসনা খোলানা"

চি

*

*

কিয়ে কমলা-কমলা গোন্ধ!

ৰসনা

ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা
চফ্ট ড্ৰিংক কনচেনট্ৰেট

Mudra:A:PL2951ASM